
কিশলয়
•সম্পাদিকা•
শ্ৰীমতী দেৱজ্যোতি শইকীয়া,
সোণোৱাল

# কিশলয়

হাতে লিখা আলোচনী

ষষ্ঠ বছৰ ষষ্ঠ সংখ্যা, ২০১৮-১৯ বৰ্ষ

## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক : ড° উৎপলা দেৱী (মুৰব্বী অধ্যাপিকা)

উপদেষ্টামণ্ডলী : ড° বিভা দত্ত নেওগ।
: শ্ৰীযুক্তা অনুৰূপা চুতীয়া।
: শ্ৰীযুত বুদ্ধেশ্বৰ কোঁচ।
: শ্ৰীযুত হিতেশ দুৱৰা।

সম্পাদিকা : শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।
৫ম ষান্মাসিক

সহঃ সম্পাদিকা : শ্ৰীমতী চয়নিকা কোঁচ, ৫ম ষান্মাসিক।

বেটুপাতৰ শিল্পী : শ্ৰীযুত মোমেন শইকীয়া।


সদস্য/ সদস্যা : অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী।

প্ৰস্তুত কৰোঁতা : শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।
: শ্ৰীমতী চয়নিকা কোঁচ।

অংগসজ্জা : শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।

ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ
৫ম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল, ২০১৮বৰ্ষ


শ্ৰীমতী চয়নিকা কোঁচ।
শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।
শ্ৰীমতী লুকুমণি দত্ত।
শ্ৰীমতী মিনাক্ষী দলৈ।
শ্ৰীমতী মালতী সোণোৱাল।
শ্ৰীমতী বেঞ্জীমা চুতীয়া।
শ্ৰীমতী লাভলী চুতীয়া।
শ্ৰীমতী ৰূপা শইকীয়া।
শ্ৰীমতী পৰিস্মা কোঁৱৰ।
শ্ৰীমতী মিতালী ডেকা বৰুৱা।
শ্ৰীমতী অৰ্চনা গগৈ।
শ্ৰীমতী অৰুনিমা বুঢ়াগোঁহাই।
শ্ৰীমতী ৰাণী দিহিঙীয়া।
শ্ৰীমতী মঞ্জুমণি কোঁচ।
শ্ৰীমতী বিজুৰাণী পেগু।
শ্ৰী ভবিষ্য বুঢ়াগোঁহাই।
শ্ৰী চিৰঞ্জীৱ গগৈ।
শ্ৰী দেৱজিৎ কোঁচ।
শ্ৰী আন্তু শইকীয়া।




"কিশলয়" ষষ্ঠ বছৰ ষষ্ঠ সংখ্যা বেহালি
মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষকবৃন্দলৈ
উপহাৰস্বৰূপে শ্ৰদ্ধাৰে অৰ্পণ কৰা হ'ল।



# শ্ৰদ্ধাঞ্জলি



মুনিন বৰুৱা



ভুন মহন্ত



শুক্ৰাচাৰ্য্য ৰাভা

# সম্পাদকীয়,

জ্ঞানৰ জ্যোতিৰে আলোকিত কৰি তুলিবৰ বাবে ধেমাজিৰদৰে অতি পিছপৰা অঞ্চলত যিসকল ব্যক্তিয়ে আপ্ৰাণ চেষ্টা আৰু ত্যাগ স্বীকাৰ কৰি ১৯৬৫ চনত ধেমাজি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল, সেই প্ৰতিজন ব্যক্তিক আজি এই পবিত্ৰক্ষণত শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানলৈকে যিসকল শিক্ষাগুৰু আৰু কৰ্মচাৰীয়ে ধেমাজি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াইছে তেখেত সকললৈও শ্ৰদ্ধা নিবেদন কৰিছোঁ।

সাহিত্যক সমাজৰ দাপোণ বুলি কোৱা হয়। দাপোণত ব্যক্তিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱাৰ দৰে সাহিত্যতো সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। ভাষা আৰু লিপিৰ সমন্বয়ত সাহিত্যৰ সৃষ্টি হয়। প্ৰথম অৱস্থাত মানুহে ভাষা সাহিত্যক তাম্ৰপত্ৰ, শিলাখণ্ড, সাঁচিপাত অথবা জীৱজন্তুৰ ছালত লিখি চৰ্চা কৰিছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভাষা-সাহিত্যৰ ক্ষেত্ৰলৈও পৰিৱৰ্তন আহিল। প্ৰযুক্তিবিদ্যাৰ নতুন নতুন আৱিষ্কাৰে ভাষা আৰু সাহিত্যক লিপিবদ্ধ কৰাৰ বাবে ছপাযন্ত্ৰৰ সৃষ্টি কৰিলে। ছপাযন্ত্ৰৰ আৱিষ্কাৰৰ লগে-লগে হেৰাই গৈছে হস্তলিখিত পুথি লিখাৰ পৰম্পৰা। অৱশ্যে ছপাযন্ত্ৰৰ সময়ত পুথি লিখাৰ বহুখিনি যোগাত্মক দিশ

নথকা নহয়। কিন্তু উক্ত কাৰণতেই হস্তলিখিত পুথি লিখাৰ পৰম্পৰাক বিদায় দিয়াটো উচিত নহয়। এখন হস্তলিখিত পুথি সুন্দৰভাৱে প্ৰস্তুত কৰি শিল্পসুলভ প্ৰতিভাৰ পৰিচয় দিয়াটো ইমান সহজ নহয়। কিন্তু আমি অসমীয়া বিভাগৰ ৩য় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত প্ৰতিবছৰৰ দৰে এইবছৰো 'কিশলয়' নামৰ হস্তলিখিত আলোচনীখন সুন্দৰভাৱে প্ৰস্তুত কৰি তুলিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। এই হস্তলিখিত আলোচনীখন বিভাগীয় ছাৰ, বাইদেউসকলৰ পৰামৰ্শ আৰু অগ্ৰজসকলে লিখি থৈ যোৱা আলোচনীৰ আৰ্হি অনুসৰি প্ৰস্তুত কৰি উলিওৱা হৈছে। ইয়াত কিমান দূৰ সফল হৈছোঁ সেয়া পাঠকে বিচাৰ কৰিব। আশা কৰিছোঁ অনাগত দিনবোৰত অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনীখন প্ৰকাশৰ দিহা কৰিব। অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিবোৰ গঠনমূলক সমালোচনাৰে আঙুলিয়াই দি 'কিশলয়'ক আন্তৰিকতাৰে গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।

সম্পাদিকা
শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল
পঞ্চম ষাণ্মাসিক।

# সূচীপত্ৰ


পৃষ্ঠা

* বিভাগীয় প্ৰধানৰ একলম — ১

**প্ৰবন্ধ**

- মাজুলী — শ্ৰীমতী মেঘালী বৰা/ ৩
- চিন্তন — শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল/ ৫
- জ্ঞান আৰু প্ৰজ্ঞা — শ্ৰীৰূপজ্যোতি লাহন/ ৮
- বিষ্ণুৰাভাঃ অসমীয়া জাতীয় জীৱনৰ চানেকী — শ্ৰীমতী সংগীতা ভৰালী/ ১১
- গামোচা — শ্ৰীমতী মিনাক্ষী দলৈ/ ১৬
- চোতাল — শ্ৰীমতী অৰ্চনা গগৈ/ ১৯
- চিলং যাত্ৰাৰ কিছু অনুভৱ — শ্ৰীমতী চয়নিকা কোঁচ/ ২৩

**গল্প**

- নিষ্ঠুৰ — শ্ৰীমতী মিনাক্ষী দলৈ/ ২৯
- সুখ-দুখ — শ্ৰীমতী লুকুমনি দত্ত/ ৩৩
- অস্তগামী সূৰুয — শ্ৰীমতী ভক্তি চাংমাই/ ৩৬

**অনুভৱ**

- স্বপ্ন-বিষাদ ইত্যাদি — শ্ৰীমতী অনু দত্ত/ ৩৯

**কবিতা**

- নিৰৱধি — শ্ৰীকমল কুলি/ ৪১
- অনুভৱ — শ্ৰীমতী মনালিচা গগৈ/ ৪২
- বিহমাজি মহাবিদ্যালয় প্ৰণামো তোমাক — শ্ৰীকমল কুলি/ ৪৩
- স্মৃতিৰ দুখৰীয়া ছবি — শ্ৰীমতী মালতী সোণোৱাল/ ৪৪
- ধনৰ মূল্য — শ্ৰীকিৰণ দেউৰী/ ৪৫

• অসময় — শ্ৰীমতী মিনাক্ষী দলৈ / ৪৬
• ধেমাজি মহাবিদ্যালয় — শ্ৰীমতী মিতালী দেৱী / ৪৭
• অস্তৰাগ — শ্ৰী চিৰঞ্জীৱ গগৈ / ৪৮

• ফকৰা যোজনা — শ্ৰীমতী মিনাক্ষী দলৈ / ৪৯
• কুইজ — শ্ৰীমতী অৰুণিমা বুঢ়াগোহাঁই / ৫০
• সাঁথৰ — শ্ৰীমতী ৰাণী চিমিঙীয়া / ৫১
• অমৃত বাণী — শ্ৰী কিৰণ দেউৰী / ৫২
• থাঁখিৰ মূল্য — শ্ৰীমতী মালতী সোণোৱাল / ৫৩
• ত্ৰিমাত্ৰিক — শ্ৰী জয়ন্ত নেওগ / ৫৪

অসম সম্পৰ্কীয় কেইটামান ৰেকৰ্ড — শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল / ৫৫

ৰস - ৰচনা
• ওকনিৰ আত্মকথা — শ্ৰী মদন গাম / ৫৭
• ফেচবুক আৰু নতুন প্ৰজন্ম — শ্ৰীমতী গায়ত্ৰী ফুকন / ৬০


— x — x — x — x —

# বিভাগীয় প্ৰধানৰ একলম

ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়া পাঠ্যক্ৰমৰ যোগেদি অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ জ্ঞান অৰ্জন কৰাৰ লগতে তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে, তেওঁলোকৰ মাজত লুকাই থকা প্ৰতিভাসমূহৰ বিকাশৰ বাবে বিদ্যালয়, মহাবিদ্যালয়সমূহত প্ৰাচীৰ পত্ৰিকা, আলোচনী আদি প্ৰকাশৰ ব্যৱস্থা কৰা হয়। এনে প্ৰাচীৰ পত্ৰিকা আৰু আলোচনীৰ পাততে আত্মপ্ৰকাশ কৰি অনেকে পাছলৈ নামজ্বলা কবি, সাহিত্যিক, চিত্ৰকৰ আদি হোৱাৰ অনেক উদাহৰণ আছে। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ লক্ষ্য আগত ৰাখিয়েই অসমীয়া বিভাগে নিয়মীয়াকৈ প্ৰাচীৰ পত্ৰিকা আৰু আলোচনী প্ৰকাশৰ ব্যৱস্থা কৰি আহিছে। প্ৰাচীৰ পত্ৰিকা 'উন্মেষ' আৰু মাহেকীয়া আলোচনী 'কিশলয়'-ৰ প্ৰকাশে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল মনটোৰ পৰিচয় দাঙি ধৰাৰ লগতে মানসিক উৎকৰ্ষ সাধনতো সহায়ক হৈছে। তদুপৰি পুথিগত জ্ঞান আহৰণৰ লগে লগে আলোচনী এখন কেনেদৰে সম্পাদনা কৰিব লাগে সেই বিষয়ৰ প্ৰয়োগিক জ্ঞানো আহৰণ কৰিব পাৰিছে বুলি আমাৰ বিশ্বাস।

বিগত বৰ্ষবিলাকৰ দৰে এইবছৰো

শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী-সকলে মাতে লিখা আলোচনী 'কিশলয়' প্ৰকাশৰ প্ৰস্তুতি চলাইছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী সকলে সহায়-সহযোগিতা আগবঢ়াই উৎসাহ উদ্দীপনা যোগাই আহিছে। 'কিশলয়'ত সন্নিৱিষ্ট সকলোবোৰ লেখাই যে উচ্চমানৰ তেনে নহয়। কিন্তু তাৰ মাজতো দুই এটা লেখাৰ মাজত ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাশীল আৰু সৃষ্টিশীল মনটো উজলি উঠা দেখা যায়। পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই প্ৰচেষ্টাই আন ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলকো নিশ্চয় অনুপ্ৰেৰণা যোগাব।

সুদীৰ্ঘদিনৰ প্ৰচেষ্টাৰে অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভাগটোৰ লগতে মহাবিদ্যালয়খনত এটা সৃষ্টিশীল পৰিবেশৰ সৃষ্টি কৰিবলৈ যত্ন কৰি আহিছে। তাৰেই ফলস্বৰূপে 'কিশলয়'ৰ দৰে আলোচনী প্ৰকাশৰ দিহা কৰা হৈছে। এই প্ৰচেষ্টা অব্যাহত থাকক লগতে 'কিশলয়' দীৰ্ঘজীৱী হোৱাৰ কামনাৰে-

উৎপলা দেৱী
(ড° উৎপলা দেৱী)
বিভাগীয় প্ৰধান, অসমীয়া
বিভাগ, ধেমাজি মহাবিদ্যালয়।
ধেমাজি
১/৯/২০১৮

# মাজুলী

মাজুলী নামৰ জন্ম আৰু অৰ্থ বিচাৰ কৰোঁতে বুৰঞ্জী আৰু প্ৰচলিত জনবিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিবৰ লগা হয়। ত্ৰয়োদশ শতিকাৰ পৰা ষষ্ঠদশ শতিকাৰ ভিতৰত প্ৰাকৃতিক খেলাৰ ফলত দিহিঙে ব্ৰহ্মপুত্ৰই মিলি জন্ম দিলে মাজুলী দ্বীপৰ। অসমৰ আহোম ৰাজত্বৰ সময়ত ইয়াৰ নাম আছিল মাজলি, মজলি। অষ্টাদশ শতিকাত ড° জে. পি ৱেডে পোনতে 'মাজুলী' শব্দটো ব্যৱহাৰ কৰে। পানীৰে আবৃত জল পৰিবেষ্টিত অৰ্থতেই 'মাজুলী' শব্দটো ব্যৱহাৰ হয়। এটা সময়ত মাজুলী বস্তুত ভোগালী ঠাই আছিল। মাজুলী শব্দৰ সন্ধি 'মা + জুলী = মাজুলী'। 'মা' মানে 'লক্ষ্মী' আৰু 'জুলী' মানে 'ভঁড়াল'।

২৬°৪৫' অক্ষাংশৰ পৰা ২৭°১২' উত্তৰ অক্ষাংশৰ আৰু ৯৩°৩১' ৰ পৰা ৯৪°৩৫' পূব দ্ৰাঘিমাংশৰ ভিতৰত মাজুলী অৱস্থিত। ব্ৰহ্মপুত্ৰৰ খহনীয়াত ক্ষয় প্ৰাপ্ত হোৱা দ্বীপটোৰ মাটিকালি ১২৫৬ বৰ্গ কিলোমিটাৰ। মাজুলীক প্ৰায় ছয়খন জিলাই আগুৰি আছে। উত্তৰ দিশত লক্ষীমপুৰ, ধেমাজী, দক্ষিণ দিশত যোৰহাট, পূব দিশত শিৱসাগৰ আৰু পশ্চিম দিশত গোলাঘাট আৰু শোণিতপুৰ।

মাজুলী যোৰহাট জিলাৰ দ্বিতীয়টো মহকুমা। ইয়াৰ সদৰ গড়মূৰত অৱস্থিত। মাজুলী আৰু কমলাবাৰী এই দুটা ৰাজহ চক্ৰত বিভক্ত। মাজুলীৰ তিনিটা মৌজা হ'ল: কমলা-বাৰী, শালমৰা, আহতগুৰী। ইয়াৰ প্ৰশাসনিক কাৰ্য্যালয় কমলাবাৰী আৰু গড়মূৰত অৱস্থিত।

মাজুলী বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ। মাজুলী অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ-স্বৰূপ। শংকৰ মাধৱৰ ঐতিহাসিক 'মনিকাঞ্চন' সংযোগ স্থল মাজুলী। ঘাৰেঁ-ভূঁঞে সত্ৰই নামঘৰে শুনা যায় হৰিনামৰ ধ্বনি আৰু সাংস্কৃতিক চৰ্চাৰ গুনগুননি। মাজুলীৰ আটাইতকৈ আকৰ্ষণীয় সম্পদ হ'ল ধৰ্ম আৰু সাংস্কৃতিক ধ্বজাবাহী সত্ৰসমূহ। ঐতিহাসিক সম্পদেৰে চহ মাই আছে মাজুলী। মুখাশিল্প, বাঁহ-বেতৰ অন্যান্য শিল্প তথা ভাস্কৰ্য্য সত্ৰৰ এক বিশেষ আকৰ্ষণ।

মাজুলীৰ কেইখন মান সত্ৰ হ'ল - আউনীআটি সত্ৰ, গড়মূৰ সত্ৰ, দক্ষিণপাট সত্ৰ, বেঙেনাআটি সত্ৰ, কমলাবাৰী সত্ৰ, ইত্যাদি। মাজুলীৰ মূল সমস্যা হ'ল বানপানী আৰু গৰাখহনীয়া, যাতায়তৰ দুৰৱস্থা আৰু আৰ্থিক উন্নয়নৰ অনগ্ৰসৰতা। মাজুলীয়ে জিলাৰূপে স্বীকৃতি পায় ২৬ জুন, ২০১৬ চনত।

শ্ৰীমতী মেঘালী বৰা
প্ৰথম ষান্মাসিক।

# চিন্তন

বৰ্তমান যুগটো হৈছে আধুনিক প্ৰযুক্তিবিদ্যাৰ যুগ। প্ৰযুক্তিবিদ্যাই সমগ্ৰ বিশ্বকে এখন গোলকীয় গাঁৱলৈ পৰিণত কৰিছে। সাজ-পাৰ, খোৱা-বোৱা, আচাৰ-ব্যৱহাৰ আনকি কথা কোৱাৰ ভাব-ভংগী এই সকলোবোৰতে আধুনিকতাৰ প্ৰভাৱ পৰা দেখা যায়। হাতে হাতে মোবাইল ফোন, লেপটপ। সময়বোৰ পাৰ কৰিছো ৱাটচ্ছাপ, ফেচবুকত চাট কৰি বা গেম খেলি। কিন্তু জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে আমি এজনে আনজনৰ প্ৰতি কি দায়িত্ব পালন কৰিছোঁ সেইটো মন কৰিবলগীয়া দিশ। আমি আমাৰ চিন্তা-ধাৰাৰ উৎকৰ্ষ সাধন কৰিব পাৰিছোনে বাৰু? সমাজৰ একাংশ লোক আজিও অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ আছে। যাৰ পৰিণতিস্বৰূপে কাৰ্বি আংলং-ৰ ডকমকা নামৰ ঠাইত নীলোৎপল আৰু অভিজিত নামৰ শিল্পীদুজনক সোপাধৰাৰ নামত নিৰ্মমভাৱে হত্যা কৰাৰ হৃদয় বিদাৰক কাণ্ড সংঘটিত হৈ গ'ল।

এতিয়া প্ৰশ্ন হ'ল আধুনিকতাৰ গ্ৰাসত পৰি আমি পাহৰি গৈছো নেকি মানুহে মানুহৰ প্ৰতি থকা দায়িত্ববোধক, নিজস্ব সংস্কৃতি, সভ্যতা আৰু মূল্যবোধক? নিজৰ পৰম্পৰাগত সাজ-পোছাক পৰিহাৰ কৰি আনক অনুসৰণ কৰি আনৰ দৰে সাজ পোছাক পৰিধান কৰিছোঁ। নতুন নতুন খাদ্য

সামগ্ৰীৰ জুতি লৈছোঁ। নিজকে আধুনিক আৰু স্মাৰ্ট দেখুৱাবলৈ ইংৰাজী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণত এটা মিশ্ৰিত ভাষা কʼবলৈ লৈছোঁ।

আমি আধুনিক প্ৰযুক্তিবিদ্যাৰ সামগ্ৰীবোৰৰ লগত ইমান গভীৰভাৱে সোমাই পৰিছোঁ যে ওচৰ-চুবুৰীয়াৰ ঘৰত কি হৈছে আমি নাজানো আৰু ওচৰ-চুবুৰীয়াক চিনি নাপাওঁ। এনে কিছুমান লʼৰা-ছোৱালী আছে যি অসমীয়া বাপতি সাহোন ৰঙালী বিহুটোৰ পৰম্পৰা সম্পৰ্কে অৱগত নহয়। ভৱিষ্যতে হয়তো এনে এটা সময় আহিব যি সময়ত মানুহে অসমীয়া সংস্কৃতিৰ লগত জড়িত ঢেঁকীশাল আৰু তাঁতশালৰ বিষয়ে নাজানিব। ভাব হয় আমি বাৰু কিমান আধুনিক? আমি আধুনিক বুলি নিজকে পৰিচয় দিবলৈ গৈ পাশ্চিমীয়া সংস্কৃতিক অনুসৰণ কৰি নিজৰ ভাষা-সংস্কৃতি পৰম্পৰাক বিসৰ্জন দিয়া নাইনে? অসমীয়া জাতিৰ প্ৰতি, ভাষাটোৰ প্ৰতি সংশয় আমি নিজে মাতি অনা নাইনে?

সকলোৰে সজাগ হʼবৰ হʼল। আধুনিকতাৰ নামত নিজৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰাক বিসৰ্জন নিদি নিজৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰাক বিশ্বৰ দৰবাৰত তুলি ধৰিবলৈ সকলোৰে আগবাঢ়ি আহক। বিশেষকৈ যুৱপ্ৰজন্ম

অৰ্থাৎ আমি এই ক্ষেত্ৰত সজাগ-সচেতন হ'ব লাগিব। তেতিয়াহে আমি আমাৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰাক ৰক্ষা কৰিব পাৰিম। অন্যথা আধুনিকতাৰ নামত ভৱিষ্যতে অসমীয়া জাতিৰ ভাষা-সংস্কৃতি আৰু পৰম্পৰা বিলুপ্তিৰ পথলৈ গতি কৰিব। আমি নিজৰ ঘৰতে বিদেশী হৈ জীৱন কটাব লাগিব।

শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।
পঞ্চম ষাণ্মাসিক।

## অসমীয়া ভাষা সাহিত্যৰ প্ৰথম

★ অমিত্ৰাক্ষৰ ছন্দত ৰচিত প্ৰথম কাব্য: অভিমন্যু বধ।

★ অসমীয়া ভাষাৰ বিষয়ে গৱেষণা কৰা প্ৰথম গ্ৰন্থ: Assamese, its formation and Development.

★ অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জী: অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী।

★ কেৰিয়াৰ বিষয়ক প্ৰথম অসমীয়া পূৰ্ণাংগ পুথি: কেৰিয়াৰ গাইড।

—সংগ্ৰহীত

# জ্ঞান আৰু প্ৰজ্ঞা

'জ্ঞান' আৰু 'প্ৰজ্ঞা' এই শব্দ দুটাই নিজে নিজৰ অন্তৰ্নিহিত অৰ্থ প্ৰকাশ কৰে। এই শব্দ দুটা বিশাল গূঢ়াৰ্থৰ গৰাকী। আচলতে 'জ্ঞানেই প্ৰজ্ঞা, প্ৰজ্ঞাই জ্ঞান' বোলোতে আমাৰ যি বিশ্বাস বা ধাৰণা সোমাই আছে সেয়া অমূলক। কাৰণ জ্ঞান আৰু প্ৰজ্ঞাৰ মাজত এক ডাঙৰ পাৰ্থক্য আছে। জ্ঞানে মানুহক বাহিৰৰ প্ৰকৃতিক জয় কৰাত সহায় কৰে আৰু প্ৰজ্ঞাই ভিতৰৰ প্ৰকৃতিক অৰ্থাৎ মানুহৰ মনক জয় কৰাত সহায় কৰে। জ্ঞানৰ সহায়ত মানুহে প্ৰকৃতিৰ অন্তৰ্নিহিত ৰহস্য উদঘাটন কৰি প্ৰাকৃতিক শক্তিবোৰক অনুগত কৰে। আনহাতে প্ৰজ্ঞাৰ সহায়ত মানুহে নিজৰ অন্তৰ্নিহিত ৰহস্য উদঘাটন কৰি হীন প্ৰবৃত্তিবোৰক জয় কৰি যাবলৈ সাহস লাভ কৰে।

জ্ঞান এনে এক শক্তি, যি শক্তিৰ সহায়ত মানৱ সমাজে প্ৰকৃতিৰ অন্তৰ্নিহিত ৰহস্য উদঘাটনৰ জৰিয়তে প্ৰকৃতিৰ ওপৰত মানুহৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান যুগৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সৃষ্টি আৰু ইয়াৰ অবিশ্বাস্য উন্নতিয়ে যাৰ প্ৰমাণ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চমৎকাৰী উদ্ভাৱন সমূহে মানুহৰ বিনাশৰ পৰিৱৰ্তে

মানুহৰ মংগলৰ হকে নিয়োজিত কৰিবলৈ লগা শক্তিবিধি হ'ল প্ৰজ্ঞা। প্ৰজ্ঞাৰ অবিহনে জ্ঞানে পূৰ্ণতা লাভ কৰিব নোৱাৰে। কিয়নো জ্ঞান সৃষ্টিকাৰী আৰু বিনাশকাৰী উভয় প্ৰকৃতিৰ। এই উভয় প্ৰকৃতিৰ জ্ঞানক মংগলকাৰী ৰূপ প্ৰদান কৰে প্ৰজ্ঞাইহে। ভোগৰ উপকৰণবোৰ আমি জ্ঞানৰ সহায়েৰেই আহৰণ কৰিব পাৰোঁ, কিন্তু প্ৰজ্ঞা অবিহনে সুখ, শান্তি আৰু আনন্দৰ উপকৰণবোৰ আহৰণ কৰা অসম্ভৱ।

আধুনিক সভ্যতা ব্যাধিগ্ৰস্ত আৰু আধুনিক মানুহ অসুখী হোৱাৰ কাৰণ হ'ল বৰ্তমান মানুহে জ্ঞানৰ সাধনাত ব্ৰতী হৈছে প্ৰজ্ঞাৰ সাধনা কৰাৰ পৰা বিৰত আছে। বাহিঃ প্ৰকৃতিক জয় কৰিবলৈ যিমান চেষ্টা কৰা নাই। এইক্ষেত্ৰত জ্ঞান আৰু প্ৰজ্ঞাৰ আধুনিক সভ্যতাত সুষম সমন্বয় সাধিত হোৱা নাই। আধুনিক যুগত বেছিভাগ মানুহে সমাজ ব্যৱস্থাক সলনি কৰিব খোজে, পৃথিৱীখনক সলনি কৰিব খোজে, কিন্তু সলনি কৰিব নোখোজে কেৱল নিজক। আধুনিক মানুহে নৈতিকতা অৰ্থাৎ প্ৰজ্ঞাক সম্পূৰ্ণ ৰূপে বিসৰ্জন দি বুদ্ধি বা জ্ঞানকে নিজৰ সাৰথি হিচাপে লৈ নিজৰ শক্তিৰ বহিঃপ্ৰকাশ ঘটোৱাত গুৰুত্ব দিছে। ফলস্বৰূপে মানৱ সভ্যতা ধ্বংস-মুখী পথত আগবঢ়া দেখা গৈছে। এই ধ্বংসমুখী যাত্ৰাক নাশ কৰিব পাৰিব

কেৱল জ্ঞান আৰু প্ৰজ্ঞাৰ সু-সমন্বয়ৰ জৰিয়তেহে। তেতিয়াহে এখন সুস্থ-সবল সমাজ ব্যৱস্থাই প্ৰাণ পাই উঠিব।

শ্ৰীৰূপজ্যোতি লাহন
প্ৰাক্তন ছাত্ৰ।

— x — x — x —

সৰল প্ৰশ্ন

* পৃথিৱীতকৈ গধুৰ কোন?
→ মাতৃ।
* আকাশতকৈ ওখ কোন?
→ পিতৃ।
* বায়ুতকৈ বেগী কোন?
→ মন।
* চিৰন্তন সত্য নো কি?
→ মৃত্যু।

# বিহুনাম: অসমীয়া জাতীয় জীৱনৰ চানেকী

বুঢ়া লুইত যেনেকৈ অসমৰ আয়ুস ৰেখা, ঠিক তেনেকৈ বিহু হ'ল অসমীয়া জাতিৰ প্ৰাণ। বিহু কেতিয়া, ক'ৰ পৰা উদ্ভৱ হৈ অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন হৈ পৰিল, তাক সঠিককৈ কোৱা টান। তথাপি বিহুৰ জন্ম গাওঁতে যে হৈছিল তাত কোনো সন্দেহ নাই। বিহু অসমীয়া জাতীয় উৎসৱ। ব'হাগ বিহুৰ কথা কৈ থাকিলে ওৰ নপৰে। সেইয়েহে বিহু নামত গাইছে —

"চতে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কেনো কৈ থাকিলে ওৰকে নপৰে
ৰঙালী বিহুৰে কথা।"

অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথা ছন্দে ছন্দে বিহুগীত সমূহত ফুটি ওলাইছে। প্ৰকৃতিৰ পৰশত, সময়ৰ বুলনিত আনন্দমুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছাসৰ

স্বীকৃতি দিছে বিহুগীত সমূহে। এই বিহুগীত সমূহে বঙালী বিহুটিক অধিক সৌন্দৰ্য বৰ্দ্ধক কৰি তুলিছে। বিহু নাম অসমীয়া লোক সাহিত্যৰ এক অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। ইয়াৰ ভাষা সৰল, ছন্দ সাৱলীল, সুৰ মনোমোহা। বিহুৰ দৰেই বিহুনামবোৰবো জন্ম বৃত্তান্তৰ বিৱৰণ দিয়া কঠিন। হয়তো অসমীয়া চহা কবিৰ অন্তৰৰ গভীৰ প্ৰান্তৰৰ পৰা ওলাই অহা অকৃত্ৰিম অনুভূতিবিলাকেই এদিন বিহু নামৰ ৰূপত আত্মপ্ৰকাশ কৰিবলে। এই বিহুনাম-বোৰক লোক সাহিত্যৰ এক উজ্জ্বল হীৰা স্বৰূপে আখ্যা দিব পাৰি।

বিহুনামবোৰ হল অন্তৰৰ ভাৱ প্ৰকাশৰ এক প্ৰধান মাধ্যম। নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ বিহুনামবোৰক এক অন্যতম আহিলা হিচাপে গ্ৰহণ কৰিছে। ডেকা-গাভৰুৱে মনে বিচৰাজনক মনৰ কথা ক'বলৈ এই বিহু নামবোৰ হল এক প্ৰধান মাধ্যম।

"বাঁহৰে আগলৈ চাইনো পঠিয়ালোঁ
বাঁহৰ কোনডালি পোন
সঁচাকৈ সুধিছো মিছাকৈ নক'বা
তোমাৰ মৰমীয়াল কোন।"

উল্লেখিত বিহুনামৰ দ্বাৰা ডেকা-

গাভৰুৱে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিব বা জানিব পাৰিছে। প্ৰেম-পিৰিতি, মৰম-ভালপোৱা আদিবোৰ হ'ল ব্যক্তি জীৱনৰ এক অন্যতম অনুভূতি। প্ৰেম-পিৰিতি আদিক লৈ ৰচিত বিহুনামে অন্তৰ চুই যায়।

"পিৰিতি নামেৰে তিনিটি আখৰে
কোনে কাটি থ'লে শিলত,
মামৰে নধৰে শেলুৱৈ নধৰে
মিলিলে আমাৰে প্ৰাণত।"

বিহু নামবোৰত নাৰী পুৰুষৰ সৌন্দৰ্য বৰ্ণনা অতি সুন্দৰকৈ ফুটি উঠিছে। বিহুনাম বোৰক সৌন্দৰ্য বৰ্ণনাৰ এক প্ৰধান ক্ষেত্ৰ হিচাপে গ্ৰহণ কৰিব বিহুনামত পাইছে।

"দেখিবলৈ ভনি কলাকৈ জাবৰি
চিৰিলি চিৰিলি পাত,
তাতোকৈ ভনি তোমাৰ সুশুৱনি
ডালিমৰ গুটি যেন দাঁত।"

বিহুনাম অসমীয়া জন-জীৱনৰ দাপোন-স্বৰূপ। সমাজত প্ৰচলিত চিৰন্তন নিয়ম-নীতি, সমাজৰ বান্ধোন, সমাজৰ বিভিন্ন কাৰ্য কলাপ, সমন্বয়-সম্প্ৰীতি, জাতিভেদ আদি আঁতৰাই সমাজৰ বান্ধোনৰ মাজত সুখ-শান্তিৰে থাকিবলৈ বিহুনামে সদায়

সঁকিয়াই আহিছে।

"কাঁহৰে বাটিতে সীৰঘৰ নিপছিলে
নিমখৰতে নিপাছিলে ভৰি,
কমাৰে লাচতে কমাৰী নিপছিলে
মথিকিব মোপনি ধৰি।"

তদুপৰি কিছুমান বিহুনামত দেশ-প্ৰেমৰ চানেকি অতি সুস্পষ্ট ৰূপত ফুটি উঠিছে। যেনে —

"শিৱসাগৰ শুকাব আহুঁৰ কাৰনি ওলাব
আফিঙৰ পাতিৰ জোকা
কোম্পানী বাগিচা সদাগৰী কৰিব
ডেকা লʼৰা কৰিব বুঢ়া।"

বিভিন্ন ঐতিহাসিক পটভূমিত, যেনে- আহোমৰ বিভিন্ন সাজ-পাৰ, নিয়ম-নীতি আদিক ভিত্তি কৰি বহু বিহুনাম ৰচিত হৈছে —

"স্বৰ্গদেউ ওলালে বাটচʼৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা,
কানত জিলিকিলে নৰা জাংফাই
গাতে সোমচেঙৰ চোলা।"

বিহু আৰু গ্ৰাম্য সমাজৰ মাজৰ সম্পৰ্ক অতি নিবিড়। বিহু গ্ৰাম্য লোকৰেই সৃষ্টি। গতিকে বিহুৰ বৈশিষ্ট্য আৰু স্বৰূপৰ মাজত গ্ৰাম্য সমাজ জীৱনৰ পৰিৱেশ এবাৰ

নোৱাৰাকৈ বিহু নামৰ মাজত সোমাই পৰিছে। বৰ্তমান বিহু নগৰমুখী হ'লেও বিহু নামৰ মাজত গাঁও আৰু পথাৰৰ পৰিবেশ সদায়েই জীয়াই ৰাখিব লাগিব। আধুনিক বিহু মঞ্চত বিহু পৰিবেশন কৰোঁতে এনেবোৰ দিশক আওকাণ কৰিলে বিহুৰ স্বকীয়তা আৰু পৰম্পৰাগত বৈশিষ্ট্য হেৰাই গৈ বিহুৰ প্ৰকৃত ৰূপো হেৰাই যোৱা সম্ভাৱনা প্ৰবল। গতিকে বিহুনামত সাঁকিয়াই দিছে —

"অসমীয়া অসমত বিহু মাৰে বাঁহগত,
লগিজ অসমীয়া বিহু ৰংগমঞ্চৰ ওপৰত
অ' হেৰা অসমীয়া পাহৰি গৈ নাযাবা।
কলা-কৃষ্টি ৰাখি বলে আগবাঢ়িব লাগিবা।"



শ্ৰীমতী সংগীতা ভেঁড়ালী
পঞ্চম ষাণ্মাসিক।

— × — × — × —

# গামোচা

গামোচা হৈছে অসমীয়া সমাজ জীৱনৰ অতি আদৰৰ বস্ত্ৰ। গামোচা অসমীয়া জাতীয় জীৱনৰ মৰ্য্যাদা আৰু সংস্কৃতিৰ প্ৰতীক। অসমীয়া সমাজত কেতিয়াৰ পৰা গামোচা ব্যৱহাৰ হৈ'ল সঠিকভাৱে জনা নাযায়। সাধাৰণতে গামোচাখন বগা সূঁতাৰে পাৰি দি বোৱা এখন বগা দীঘলীয়া কাপোৰ। জনগোষ্ঠী অনুযায়ী গামোচাৰ ৰং বিভিন্ন হয়। সেউজীয়া, হালধীয়া, বগা ইত্যাদি। জনগোষ্ঠীসকলৰ মাজত গামোচাৰ নাম আৰু ৰং বেলেগ হ'লেও মৰ্য্যাদা কিন্তু একে।

অসমীয়া শিপিনীয়ে নিজৰ প্ৰতিভাৰে নানা ফুল, লতা, চৰাই আদি তুলি অতি নিপুণ হাতেৰে বোৱা গামোচাৰ মাজেৰে শিপিনীৰ প্ৰতিভাৰ বহিঃপ্ৰকাশ ঘটে গামোচাত। কপাহী সূতাৰে বিশেষভাৱে গামোচা তৈয়াৰ কৰা হয় যদিও পাট, মুগা আদিৰেও তৈয়াৰ কৰা হয়। মৰম, চেনেহ, শ্ৰদ্ধাৰ প্ৰতীক গামোচা। ভাৰতৰ অন্য প্ৰান্ততো গামোচা জাতীয় বস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে অসমীয়া গামোচাৰ লগত তেওঁলোকৰ গামোচা বহুখিনি পাৰ্থক্য আছে। গামোচাখন অসমীয়াৰ চিনাকি সন্মানৰ প্ৰতীক। কিন্তু আন ঠাইত গামোচাক অকল দৈনন্দিন ব্যৱহাৰ কৰা সামগ্ৰী হিচাপে

ব্যৱহাৰ কৰা দেখা যায়। নামনি অসমত গামোচাক "গামছা", "মুকচা" বা "দুহেইটা" আদি নামেৰে জনা যায়।

গামোচাৰ নামৰ উৎস হৈছে গা মুহি পানী টুকা কাপোৰ, শৰীৰ মচা বস্ত্ৰ, মাঙ্গলিক কাৰ্যৰ বাবে ব্যৱহাৰ কৰা গামোচাখন আনাকটা ৰূপত বৈ উলিওৱা হয়। পাৰি দি ফুলামকৈ বা উকাকৈ বোৱা গামোচাখন অসমীয়াই বিহুৱান আৰু মৰমৰ উপহাৰস্বৰূপে প্ৰদান কৰে। ইয়াক মাঙ্গলিক কাৰ্যত ডিডিত লোৱা হয়, বিহুত মূৰত মৰা হয়, টঙালি হিচাপে কঁকালত বান্ধে; নামৰ সময়ত কান্ধত লয়, তিয়নী কৰে; তিৰোতাই মূৰত লয় (ওৰণি বা টকৌয়া হিচাপে) জনজাতীয় তিৰোতাই বুকুত মেখলাও মাৰে। বিহু, বিবাহ, অনুষ্ঠানত বা অন্যান্য যিকোনো সামাজিক অনুষ্ঠানত গামোচাক মান্য বস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। ব'হাগ বিহুত সকলোৱে ডাঙৰক এখন ফুলাম গামোচা বিহুৱান হিচাপে দি ওলগ জনায়। এই গামোচাক গা-মোচাৰ পৰা আৰম্ভ কৰি সভা সমিতিত নিমন্ত্ৰিত সকলক আদৰণি জনোৱা হয়। অসমৰ সংস্কৃতিৰ বৰঘৰ নামঘৰৰ গুৰুৰ আসনত কোনো শাস্ত্ৰ ঢাকি ৰাখিবৰ কাৰণে শৰাই সজোৱা কাৰণে গামোচা ব্যৱহাৰ কৰা দেখা যায়। নামঘৰৰ খুটাত মেৰিয়াই দি সৌন্দৰ্য বৃদ্ধি কৰে। পাৰলীয়া শিল্পীৰ কৰ্ম নৈপুণ্য আৰু কলাসুলভ মনৰ উন্নত নিৰ্দশন গামোচাখন সম্প্ৰতি সংকটৰ সন্মুখীন হৈছে। বহিঃ ৰাজ্যৰ মাদ্ৰাজী

গামোচাৰে অসমৰ বজাৰত ভৰি পৰিছে। বাহিৰৰ ৰাজ্যৰ মেচিনত বোৱা গামোচাই বজাৰত উভৈনদী হোৱা ফলত অসমৰ শিল্পিনীৰ গামোচা এলাগী হৈ পৰা পৰিলক্ষিত হৈছে। অসমীয়াৰ অভিমান, মৰ্য্যাদা আৰু মাঙ্গলিক প্ৰতীক গামোচা যাতে বহিঃ ৰাজ্যৰ অসমীয়া শিল্পিনীৰ হাতৰ পৰশ তথা হৃদয়ৰ উমেৰে বোৱা গামোচা অসমৰ প্ৰতিজন লোকে ব্যৱহাৰ কৰে তাৰ প্ৰতি সকলো সজাগ হ'ব লাগে।

শ্ৰীমতী মিনাক্ষী দলৈ
পঞ্চম ষাণ্মাসিক।

# চোতাল

সময়ৰ লগে লগে মানুহৰ জীৱন প্ৰক্ৰিয়াবোৰ এক আমূল পৰিৱৰ্তন মোৰা দেখা যায়। আমাৰ সমাজত আধুনিকীকৰণ আৰু নগৰীকৰণৰ প্ৰভাৱৰ ফলত বিভিন্ন ধৰণৰ পৰিৱৰ্তন হৈছে। সমাজৰ একাংশই নগৰীকৰণ, আধুনিকীকৰণ, সংস্কৃতিকৰণ ইত্যাদিৰ প্ৰভাৱৰ ফলত গ্ৰাম্য অঞ্চল সমূহতো উন্নতিৰ এক সূচনা মোৰা পৰিলক্ষিত হৈছে। আজি আমি এনে এখন গ্ৰাম্য সমাজৰ প্ৰকৃতি চোতালৰ বিষয়ে জ্ঞাত হ'বলৈ ওলাইছো। আমাৰ সমাজত যদিও আমি সদায় 'চোতাল' খন দেখি থাকো। আমি সেই চোতালখনত বিভিন্ন প্ৰকাৰৰ কাম কৰো যদিও আমি সেই বিষয়ে ইমান কাণ নিদিওঁ। কিন্তু, যদি আমি চোতালৰ বিষয়ে গভীৰভাৱে ভাবি চাওঁ তেতিয়া কিন্তু ই আমাৰ জীৱন অৰ্থাৎ প্ৰধানকৈ গ্ৰাম্য সমাজৰ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে চিহ্নিত হ'ব।

বৰ্তমান আমাৰ উন্নত সমাজত প্ৰায়েই চোতালৰ গুৰুত্ব কমি অহা দেখা পোৱা যায়। কিন্তু গ্ৰাম্য সমাজত গ্ৰাম্যাঞ্চলৰ বাসিন্দা-সকলৰ বাবে ই জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ অংগ। বৰ্তমান আমাৰ আধুনিক জীৱন-যাপনত চোতালৰ ব্যৱহাৰক গুৰুত্ব দিয়া

দেখা নাযায়। নগৰীয়া সমাজৰ চোতালত সেই গাৱঁলীয়া জীৱনৰ লোকসকলৰ দৰে চোতালত কোনো বিষয়ৰ ওপৰত আলোচনা নকৰে। নগৰীয়া সমাজৰ পকী চোতালৰ পৰিপ্ৰেক্ষিতত উন্নতমানৰ ব্যৱস্থাৰ দেখিবলৈ পোৱা যায়। গাৱঁলীয়া সমাজৰ চোতাল বুলিলে আমাৰ মনত এক আপোনা-আপুনি দৃশ্য জাগৃত হয় আৰু সেই দৃশ্য চকুলৈ স্পষ্টকৈ ভাঁহি অহা দেখা পাওঁ।

যুগৰ পৰিৱৰ্তনৰ লগে লগে বৰ্তমান এই চোতালসমূহ নগৰীয়া সমাজ গ্ৰাম্য সমাজ দুয়োটিৰে মাজত এক তুলনা কৰিব পাৰি। গাৱঁলীয়া সমাজত সেই চোতালত গ্ৰাম্য সমাজৰ সকলো লোকে সমজুৱাভাৱে এক আলোচনা চক্ৰ, আলোচনা, সামাজিক উৎসৱ-পাৰ্বন, বিবাহ কাৰ্য, ইত্যাদিৰ দৰে সামাজিক ব্যক্তিগত অনুষ্ঠান ৰূপেও গণ্য কৰা হয়।

তেনেদৰে গৰম দিনত ৰাতি সেই ফটফটীয়া আকাশৰ জোন, তৰাবোৰৰ তলত চোতালত বহি আইতাই ঘৰৰ সৰু ল'ৰা-ছোৱালী কেইটাক সাধু শুনায়। আকৌ ঠাণ্ডা দিনত সেই চোতালতে জুইৰ ওচৰত সকলোৱে বহি তৃপ্তিৰে চাহ জলপান খায়। গাৱঁলীয়া সমাজ যিহেতু প্ৰকৃতিৰ প্ৰাচুৰ্য্যৰে পৰিপূৰ্ণ। গতিকে দিনটো সেই গছবোৰৰ পৰা পাত সৰি আৱৰ্জনা সৃষ্টি হয় আৰু ঘৰৰ গৃহিনীয়ে

নিতৌ সেই আৱৰ্জনা বাঢ়নীৰে সাৰি চাফ কৰে আৰু সেই চোতালত কণ কণ লʼৰা ছোৱালী-বোৰে খেলা ধূলা কৰে। চোতালৰ দূৰৱৰ্ত্তি বনত পৰি থকা নিয়ৰৰ কণা ৰাতিপুৱা সূৰ্য্যৰ পোহৰত জিলিকি উঠা দৃশ্য মনোৰম আৰু তুলনাবিহীন। ইয়াৰ উপৰিও যি সকললোকে কৃষিৰ ওপৰত নিৰ্ভৰশীল তেওঁলোকে চোতালত বহু ধৰণৰ কাম কৰে। যেনে- ধানৰ মৰণা দিয়া, ধান ৰʼদত দিয়া, চাউল জৰা আদি বহু কাম চোতালতে কৰে। আনমতে সকলোৰে চোতালত এজোপা তুলসীও দেখা যায়।

গাঁৱলীয়া সমাজৰ চোতালৰ তুলনাত নগৰীয়া সমাজৰ চোতাল অতি নগণ্য বা সৰু। নগৰীয়া সমাজত চোতালৰ ব্যৱহাৰ অতি কম কিন্তু এনে ক্ষেত্ৰত গাঁৱলীয়া সমাজত চোতালৰ ব্যৱহাৰ অধিক। সেইফালৰ পৰা চাবলৈ হʼলে চোতাল গাঁৱলীয়া সমাজ জীৱনৰ এটা অংগ বুলিও কʼব পাৰি। বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগ। আধুনিকতাৰ প্ৰভাৱ জীৱনশৈলী আৰু সমাজত পৰিছে। তাৰ ফলত চোতালৰ গুৰুত্ব কমি অহা দেখা গৈছে। কʼবলৈ গʼলে অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুত বিহুৰ হুঁচৰি, জেং বিহু আদিও চোতালতে মাৰি চোতালখনক কৃষ্টি-সংস্কৃতিৰ উৰ্বৰ থলীৰ মৰ্য্যাদা জ্ঞাপন কৰা হৈছে।

শ্ৰীমতী অৰ্চনা গগৈ
পঞ্চম ষান্মাসিক

# কাক কি বুলি জানো (টিং)

- অসমৰ খাজুৰাহো (khajuraho of Assam): মদন কামদেৱ।
- পূবৰ মানচেষ্টাৰ (Manchester of Assam): শুৱালকুছি।
- অসমৰ তৈলনগৰী (Oil City of Assam): ডিগবৈ।
- পঞ্চতীৰ্থ (Pancha Tirtha): হাজো
- অসমৰ পিৰামিড (Pyramid of Assam): চৰাইদেউ মৈদাম।
- অসমৰ চাহ ৰাজধানী (Tea Capital of Assam): যোৰহাট।
- ৰঙানদী আৰু নীলা পাহাৰৰ দেশ (The Land of Red River and Blue Hills): অসম।
- উত্তৰ-পূব ভাৰতৰ প্ৰৱেশদ্বাৰ (Gateway of North-East of India): গুৱাহাটী।
- যাউতীযুগীয়া প্ৰেমৰ চহৰ (City of Eternal Romance): তেজপুৰ।
- পূবৰ আমাজন (Amazon of the East): ডিহিং-পাটকাই বৰ্ষাবণ্য।

সংগ্ৰহিত

# শ্বিলং যাত্ৰাৰ কিছু অনুভৱ

মানুহে অতীতৰে পৰা নজনা কথা-টো জানিবলৈ, নেদেখা বস্তু চাবলৈ দুৰ্বাৰ আকাংক্ষা প্ৰকাশ কৰি আহিছে। এই আকাংক্ষা পূৰণৰ বাবেই মানুহে অতীতৰে পৰা দেশ-দেশান্তৰ ভ্ৰমণ কৰি আহিছে। বিভিন্ন জন লোকৰ ভ্ৰমণৰ উদ্দেশ্যও সুকীয়া। কাৰোবাৰ ভ্ৰমণৰ উদ্দেশ্য হয়তো নয়নৰ তৃপ্তি বাবে আৰু আন কাৰোবাৰ শিক্ষা বা জ্ঞান লাভৰ উদ্দেশ্য।

ভ্ৰমণৰ বিভিন্ন ভাগৰ ভিতৰত শিক্ষামূলক ভ্ৰমণেও এক উল্লেখযোগ্য স্থান দখল কৰি আছে। শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা।

ইং ৰাজী ২৪-১২-২০১৭ তাৰিখে বিহ্মাজি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ৩০ জনীয়া দলটো লগত সমাজশাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপক ক্ষীৰোদ গগৈ ছাৰ আৰু ইতিহাস বিভাগৰ অতুল দাস ছাৰ আৰু ছাৰৰ পত্নী আৰু কন্যা-সহ আমাৰ দলটোৱে ৰাও না হৈছিলোঁ মেঘালয়ৰ ৰাজধানী প্ৰকৃতিৰ ৰম্যভূমি মনোমোহা ৰূপৰ অধিকাৰী শ্বিলঙলৈ।

সম্পূৰ্ণ এনিশা যাত্ৰা কৰাৰ পাছত উত্তৰ পূৰ্ব ভাৰতৰ দুৱাৰমুখ গুৱাহাটী

মহানগৰীত উপস্থিত হৈছিলোঁগৈ। গুৱাহাটীৰ পৰা ৯৯ কিঃ মিঃ দূৰত অৱস্থিত শ্বিলঙলৈ আমাৰ দলটোৱে ট্ৰেভেলাৰেৰে ৰাওনা হ'লোঁ।

ভাৰতৰ ভিতৰতে পাহাৰীয়া ৰাজ্য হিচাপে জনপ্ৰিয় তথা এসময়ৰ অসমৰ ৰাজধানী শ্বিলং বৰ্তমান অসমৰ চুবুৰীয়া ৰাজ্য। পাহাৰীয়া একাঁ বেকাঁ সেউজীয়া বাটেৰে আমি আগবাঢ়িলোঁ। দুপৰীয়া আহাৰ মেঘালয়ৰ মোটেল এখনত গ্ৰহণ কৰিলোঁ। ইয়াৰ পাছত আমি উপস্থিত হ'লোঁ 'Umiam Water Sport Complex' ত। এই হ্ৰদটোৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু চাৰিওফালৰ সেউজীয়া পাহাৰে আমাৰ মন আপ্লুত কৰি পেলাইছিল। এই উদ্যানখনত উপলব্ধ মেঘালয়ৰ পৰম্পৰাগত সাঁজ পোছাকে মোৰ মন কাঢ়ি নিছিল। এই পোছাক পিন্ধি ফটো উঠাৰ ব্যৱস্থা আছিল বাবে ছাৰৰ পৰামৰ্শলৈ আমি কেইগৰাকী-মান ছোৱালীয়ে ফটো উঠিলোঁ। কিছুসময় উদ্যানখনৰ সৌন্দৰ্য উপভোগ কৰি পুনৰ গন্তব্য স্থান অভিমুখে ৰাওনা হ'লোঁ।

দিনটোৰ শেষত শ্বিলঙৰ বুকুলৈ সন্ধ্যা নামি আহিছিল। সন্ধ্যাৰ শ্বিলঙৰ পৰিৱেশ অতি মনোমোহা লাগিছিল। লাইটবোৰৰ পোহৰত শ্বিলংখন জিকমিকাই আছিল। সেই ৰাতিটো আমি অসম হাউচৰ ওচৰতে অৱস্থিত J.K.R. Residency ত থকাৰ ব্যৱস্থা কৰা হৈছিল। নৈশ আহাৰ গ্ৰহণ কৰিবৰ বাবে আমি খোজকাঢ়িয়ে ৰাওনা হৈছিলোঁ। এই জেগতে

আমি ছাত্ৰ-ছাত্ৰী সকলে কিছু বজাৰো কৰিলোঁ। ইয়াৰ পিছত পুনৰ গাড়ীৰে আমাৰ মকা চাইলৈ উভটিলোঁ।

২৬-১২-২০১৭, শনিবাৰে পুৱাই আমি যাত্ৰা আৰম্ভ কৰিলোঁ 'মাউলিলঙ'(Mawlyang) গাঁৱৰ অভিমুখে। সেইদিনা ৰাতিপুৱা বহুত ঠাণ্ডা পৰিছিল। Mawlyang ত অৱস্থিত প্ৰকৃতি সৃষ্ট গছৰ শিপাৰ দলংসমূহে পৰ্যটকৰ মন আকৰ্ষণ কৰিছিল। দলঙৰ তলেৰে বৈ যোৱা জুৰিটোৱে ইয়াৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছিল। Mawlyang ৰ পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিবেশে আমাৰ মন আপ্লুত কৰিছিল। দুপৰীয়া আহাৰ আমি সকলোৱে ইয়াতে গ্ৰহণ কৰিলোঁ।

আমাৰ যাত্ৰা পুনৰ আৰম্ভ হ'ল ভাৰত বাংলাদেশৰ সীমান্তৱৰ্তী অঞ্চল 'Dawki' লৈ। Dawki সীমান্তৰ পৰাই বাংলাদেশ আৰম্ভ হৈছে। Dawki ত অৱস্থিত নীলা পানীৰ নৈসমূহে চৌপাশৰ পৰিবেশ আকৰ্ষণীয় কৰি তুলিছে।

৫:০০ বজাত আমি শ্বিলঙৰ পৰা পুনৰ গুৱাহাটী অভিমুখে যাত্ৰা কৰিলোঁ। শ্বিলঙৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাই এটা ভাল লগা পৰিবেশৰ সৃষ্টি কৰিছিল। গাড়ীৰে আহি থাকোঁতে শিৰিকী ফাকেৰে ক'ৰবাত একবা দেখি পাওঁ নেকি সেই লক্ষ্য কৰিছিলোঁ, কিন্তু সেয়া সৌভাগ্য নহ'ল। শ্বিলংসমূহ সঁচাই প্ৰচুৰ পৰ্যটনৰ

সম্ভাৱনাপূৰ্ণ ঠাই। ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা স্বচ্ছ ভাৰত অভিযানে শিলঙৰ ত সঁচাকৈ প্ৰভাৱ পেলাব পাৰিছে।

ৰাতি ৯.৩০ বজাত আমি পুনৰ গুৱাহাটী পালোঁহি। ৰাতিৰ আহাৰ আৰু থকা বাবে হোটেল ব্যৱস্থা কৰি থোৱা আছিল। আহাৰ গ্ৰহণ কৰিয়ে আমি নিদ্ৰা-দেৱী কোলাত আশ্ৰয় ললোঁ।

২৭-১২-২০১৭ ৰাতিপুৱা সকলোৰে ব্ৰেকফাষ্ট কৰি দুপৰীয়া বজাৰ-সমাৰ কৰিবলৈ গৈ পুনৰ ১২.০০ বজাত মহা-হয়গ্ৰীৱ মাধৱ-মন্দিৰ পৰিদৰ্শন কৰিবলৈ ৰাওনা হ'লো। হয়গ্ৰীৱ-মাধৱ মন্দিৰৰ পবিত্ৰ পৰিৱেশে আমাৰ সকলোৰে মন মুগ্ধ কৰিছিল।

ধীৰালৈ সন্ধ্যা নামি আহিছিল। আমি সকলোৰে মা কামাখ্যাৰ আশিস লৈ পুনৰ ঘৰমুৱা হ'ব বাবে ৰেল ষ্টেচনত উপস্থিত হ'লোগৈ। প্ৰত্যেকে নিজাৰ আহাৰ গ্ৰহণ কৰি ৰেলত নিজা আসন দখল কৰিলোঁহি। ঘৰমুৱা হ'লো নিজা আপোন-ঠাই খনলৈ।

ভ্ৰমণ নয়নৰ তৃপ্তি বাবেই হওঁক বা শিক্ষামূলকে হওঁক দুয়োটাই আমাক পৰোক্ষভাৱে হ'লেও সহায় কৰে। ভ্ৰমণৰ দ্বাৰা বিভিন্ন কৃষ্টি সম্পন্ন লোকৰ সৈতে মত বিনিময় সম্ভৱ হৈ উঠে।

কলেজীয়া জীৱনৰ তৃতীয় ষাণ্মাসিকত (২০১৭-১৮ বৰ্ষত) আৰম্ভ কৰা এই ভ্ৰমণৰ স্মৃতি মোৰ জীৱনত চিৰস্মৰণীয় হৈ ৰ'ব। কিয়নো এই চাৰিদিনীয়া ভ্ৰমণ যাত্ৰা অপূৰ্ব আছিল। মোৰ অগ্ৰজসকল আৰু বিশেষকৈ মহাবিদ্যালয়ৰ প্ৰত্যেকটো বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগত গঢ় লৈ উঠা বন্ধুত্বও খুব মধুময়।

এই ভ্ৰমণ আছিল সম্পূৰ্ণ বিনামূলীয়া। অসম চৰকাৰে ভ্ৰমণৰ বাবে আগবঢ়োৱা পুঁজিৰ দ্বাৰাই আমাৰ এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। ইয়াৰ বাবে অসম চৰকাৰক কৃতজ্ঞতা জনালোঁ।

শ্ৰীমতী চয়নিকা কোঁচ।
পঞ্চম ষাণ্মাসিক।

# গদ্য

# নিষ্ঠুৰ

দৰ্জাখন মেলি কৰবী বাহিৰলৈ ওলাই আঁহোতেই মুখমণ্ডলত এজাক মৃদু বতাহে চুই গ'ল। কৰবী মৰধীৰকৈ আগবাঢ়ি গ'ল গেটৰ ফালে। তাই চোতাল পাই গেৰেজত থকা প্ৰনৱৰ মটৰ চাইকেলখনলৈ চকু গ'ল। মুহূৰ্তৰ বাবে তাই সকলো পাহৰি গ'ল।

বাইদেউ বাতৰি কাকতখন ইয়াতেই থৈছো। গেটখনত টক্ টক্ শব্দ কৰি বাতৰি কাকত দিয়া ল'ৰাটোৰ চিঞৰ শুনিছে তাই বাথৰুমলৈ ঘূৰিব আহিল। আচৰিত হৈ তাই গেটৰ ফালে চাই ক'লে "অ তুমি হে.....। তাই গেটৰ ফালে আগবাঢ়ি গৈ ল'ৰাটোৰ পৰা বাতৰিখন লয়। বাতৰিখন লৈ বাৰাণ্ডাত বহি বাতৰিখন এবাৰ পঢ়াটো তাইৰ দৈনন্দিন কাম। ৰাতিপুৱাই নাচালে তাই বিপদত সময় নহয়। তাই এগৰাকী হাই স্কুলৰ শিক্ষয়িত্ৰী। পুৱাই কাকতখনত চকু ফুৰাব নাপালে তাই ভাল নালাগে। তাই ঘৰ গুৱাহাটী মালিগাওঁত। ঘৰত মানুহ বুলিবলৈ তাই আৰু স্বামী প্ৰনৱ। সিহঁতৰ প্ৰেম বিবাহ হৈছিল। দুয়ো একেখন কলেজতে পঢ়া। কলেজত সদায় প্ৰনৱে তাইক চাই থকা দেখে। তাই

লাজে ভয়ে ক্লাচ কমলে গুচি যায়। এনেদৰে পাৰ হোৱাৰ পাছত এদিন তাইক মাতি প্ৰেমৰ প্ৰস্তাৱ দিয়ে। তাইও একো আপত্তি নকৰি সন্মতি দিলে। দিন বাগৰিল। সিহঁতৰ প্ৰেম গভীৰ হ'ল আৰু দুয়োৰে শিক্ষা জীৱন সমাপ্ত হ'ল। তাৰ পিছত ঘৰৰ সকলোৰে মতে এদিন বিয়াখন হৈ গ'ল। দুয়ো খুব সুখী। সিহঁতে আনন্দমনেৰে সংসাৰ আগবঢ়াই নিলে। দিনবোৰ খুব সুন্দৰকৈ আগবাঢ়িল। দিন পাৰ হৈ বছৰ হৈ গ'ল।

এদিন আবেলি দুয়ো চাহ খাই থাকোঁতেই ফোন আহিল। প্ৰনৱৰ চাকৰিৰ ঠাই সলনি হৈছে। প্ৰনৱ এজন ডাক্তৰ। তাক নলবাৰী চিকিৎসালয়লৈ বদলি কৰিছে। এই কথা শুনি কৰবীৰ অন্তৰে কান্দি উঠিল। অশ্ৰুসিক্ত নয়নেৰে তাই ক'লে-মই ইয়াত কিদৰে অকলে থাকিম। তুমি যাব নালাগে।

"তুমি নাকান্দিবা মই তোমাক পিছত এদিন আহি লৈ যামহি। চাকৰি কৰিছো যেতিয়া যাবই লাগিব। প্ৰথম মই গৈ সকলো ঠিক কৰি লওঁ।" প্ৰনৱৰ সান্তনাবে আশ্বাসত কৰবী কিছু আশ্বাসিত হ'ল।

তাই ক'বলৈ ল'লে তুমিতো জানা মোক সকলোৱে সন্মান নমস্কাৰ বাবে কিমান

কথা কয়। তুমি থকা বাবে আমাৰ আগত কোনেও একো নকয়। কিন্তু তুমি নাথাকিলে লোক সকলোৱে শুনাব লাক মই অকলশৰীয়া হৈ যাম। কৰবীৰ কথাত প্ৰনব কিছুপৰ মনে মনে থাকিল। তাৰ পিছত পুনৰ বুজনি দিলে। পাছদিনা প্ৰনৱ নতুন চাকৰিত জইন কৰিবলৈ গ'ল। যোৱাৰ পৰত কৰবীৰ সেমেকা চকুযোৰিবলৈ চাই দুই এদিনতে তাইক নিবলৈ অহাৰ প্ৰতিশ্ৰুতি দি গ'ল। কৰবীয়ে প্ৰনৱ অহালৈ বাট চাই থাকিল। সদায়ে বাটলৈ চাই ভাগৰি পৰা কৰবীয়ে বাৰটা বছৰ পাৰ কৰিলে।

বাৰটা বছৰ আশাৰে বাট চাই থকাৰ পাছত তাই ধৰি লৈছে একমাত্ৰ সন্তানৰ মাতৃ হ'ব নোৱাৰা বাবেই প্ৰনৱে তাইক এৰি দিছে। বাৰ বছৰৰ একাকী জীৱনৰ পাছতো তাই ভাগৰি যোৱা নাই..... আশাবাদী। কেতিয়াবা তাই নিজৰ ওপৰতে ধিক্কাৰ জন্মে। কেতিয়াবা ভাবে যদি তাই অক্ষমতাৰ বাবে প্ৰনৱৰ সেই ভালপোৱা, প্ৰেমৰ মোহভংগ ঘটিলে। তেন্তে সেই প্ৰেমৰ জানো মূল্য আছে। যত তাইতকৈ তাইৰ মাতৃত্বই বেছি আগস্থান পায়! কথাবোৰ ভাবি থাকোঁতেই তাইৰ বাতৰি কাকতৰ এটা কোণত চকু থিৰ হৈ ৰ'ল – দুৰ্ঘটনাত পতিত নলবাৰীৰ বিশিষ্ট চিকিৎসক ডাঃ প্ৰনৱ বৰদলৈ।

বাতৰিৰটো পঢ়ি তাই নিজকে সম্বৰিব নোৱাৰিলে। বাৰটা বছৰে প্ৰনৰ জাৰি তাইক চিনিবহি বুলি অতি মানেৰে বাট চাই থকা কৰবীয়েততাতৈয়াকৈ বিস চিকিৎসাধীন হৈ থকা চিকিৎসালয়লৈ যাবলৈ সাজু হ'ল।

শ্ৰীমতী মিনাক্ষী দলে
পঞ্চম ষাণ্মাসিক।

—— × —— × —— × ——

## অসমৰ সংবাদপত্ৰ/আলোচনী

- ☆ প্ৰথম সংবাদপত্ৰ : অৰুণোদই, ১৮৪৬
- ☆ স্বদেশীলোকৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰথম সংবাদপত্ৰ : আসাম বিলাসিনী, ১৮৭১
- ☆ প্ৰথম সাদিনীয়া সংবাদপত্ৰ: আসাম মিহিৰ, ১৮৭২
- ☆ প্ৰথম দৈনিক বাতৰি কাকত: দৈনিক বাতৰি, ১৯৩৫
- ☆ প্ৰথম ইংৰাজী দৈনিক: আছাম ট্ৰিবিউন।

সংগ্ৰহিত

# সুখ-দুখ

আদিত্য এটা দুখীয়া ঘৰৰ ল'ৰা। ইহঁতৰ ঘৰত মুঠ মানুহ তিনিটা। তিনিটা প্ৰাণীৰ পেটৰ ভাত মোকলাবলৈ দেউতাকে হাজিৰা কৰিব লগা হয়। সদায় ৰাতিপুৱা দেউতাকে চৈলাগন লৈ ওলায় যায় আৰু গধূলি ঘৰলৈ আহোঁতে হাজিৰা কৰি পোৱা টকাৰে চাউল, শাক-পাচলি আদি যাৱতীয় সামগ্ৰী আনে। এনেদৰেই ইহঁতে সুখেৰে আছিল। কিন্তু বিধিৰ বিপাক। ইহঁতৰ দেউতাকৰ মৃত্যুৰ পাছত ঘৰ চলোৱাৰ ভাৰ পৰিল মাকৰ ওপৰত। মাকে খুজি-মাগি, কাৰোবাৰ ঘৰত কাম কৰি যি আনে তাকে খাই আদিত্যহঁত চলি আছিল। এবাৰ মাকৰ পেটৰ অসুখ হোৱাত আদিত্যই এটা কাম বিচাৰি ওলাই গ'ল। সি এঘৰ মানুহৰ গাড়ী মচা, ঘৰ সৰা ইত্যাদি কাম কৰিবলৈ ধৰিলে। সি সেই টকাৰে চাউলো কিনে আৰু মাকলৈ দৰৱো কিনে। প্ৰতিটো কথাতে তাক মালিকনীয়ে গালি দিয়ে।

আদিত্যই সেই মানুহ ঘৰত নাথাকো বুলি ৰাজপথত ঢৌৰ দিলে। এনেতে এখন গাড়ী তাৰ কাষেৰে পাৰ হৈ অলপ আঁতৰত ৰৈ গ'ল। গাড়ীখনৰ

পৰা এজন আদৰ্শীয়া ব্যক্তি নামি আহিল ।
মানুহজনে আদিত্যক গাড়ীত উঠিবলৈ ক'লে,
অচিনাকী মানুহজনৰ গাড়ীত আদিত্যই ভয়ে
ভয়ে উঠিলে । গাড়ীখন গৈ এটা পকী ঘৰৰ
সন্মুখত ৰ'ল আৰু তাক নামিবলৈ ক'লে ।
মানুহজনে তাক ভিতৰলৈ নি বহিবলৈ দিলে
আৰু তাৰ নাম, ঠিকনা, মাক-দেউতাকৰ
কথা সুধিলে । আদিত্যই তেওঁক সকলো কথা
ক'লে । মানুহজনৰ পৰা জানিব পাৰিলে যে
তেওঁৰ নাম অচ্যুৎ হাজৰিকা । তেওঁ সৰু ল'ৰা-
ছোৱালীক বৰ ভাল পায় । তেওঁ আদিত্যৰ
মাকক ঘৰৰ পৰা তেওঁৰ ঘৰলৈ লৈ
আনিলে আৰু চিকিৎসালয়ত ভৰ্তি কৰালে।
আদিত্যক স্কুলত নাম ভৰ্তি কৰি দিলে ।
আদিত্যক কেতিয়াও অচ্যুৎ হাজৰিকাই পিতৃৰ
অভাৱ অনুভৱ কৰিব দিয়া নাছিল ।
তেওঁ আদিত্যক নিজৰ ল'ৰাৰ দৰে মৰম
কৰিছিল । ভাল চিকিৎসা পাই মাকৰো
অসুখ ভাল হ'ল । আদিত্যই সকলো
শ্ৰেণীতে ভাল নম্বৰ পাই হাইস্কুল শিক্ষান্ত
পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম স্থান
লাভ কৰিলে । আদিত্যই সদায় অচ্যুৎ
হাজৰিকাক পিতৃজ্ঞান কৰে । মাকো
অচ্যুৎ হাজৰিকাৰ ওচৰত চিৰকৃতজ্ঞ ।
নিজৰ পাৰদৰ্শিতাৰে আদিত্যও এদিন
সু-চিকিৎসক হ'ল । মানুহৰ জীৱনত
সুখ আৰু দুখ থাকিবই । এই দুটা বস্তু

থাকিলেহে জীৱনটো সুন্দৰকৈ গঢ়ি তুলিব পাৰিব।

শ্ৰীমতী লুকুমণি দত্ত
পঞ্চম ষাণ্মাসিক।

—×——×——×—

## অসমৰ ৰাজ্যিক প্ৰতীকসমূহ

- ৰাজ্যিক পশু ঃ এশিঙীয়া গঁড়।
- ৰাজ্যিক পক্ষী :- দেওহাঁহ।
- ৰাজ্যিক ফুল :- কপৌ ফুল।
- ৰাজ্যিক বৃক্ষ :- হোলোং
- ৰাজ্যিক পানীয় ঃ চাহ।
- ৰাজ্যিক জলচৰ পশু :- শিহু।
- ৰাজ্যিক গীত :- 'অ' মোৰ আপোনাৰ দেশ'।

সংগৃহীত

— — — — — — — —

# অস্তগামী সূৰ্য

সময় নিশা প্ৰায় এঘাৰ মান বাজিছিল, নিবিড় তেতিয়াও সাৰে আছিল। চাৰিওফালে আন্ধাৰ, নিজান ৰাতি। নিবিড়ে খিৰিকীখন খুলি দিলে, জোনৰ ক্ষীণ পোহৰে তাৰ সৰু কোঠাটো ভৰি পৰিল।

অনিচ্ছাসত্ত্বেও মানুহৰ জীৱনলৈ দুখবোৰ আহে। সেয়া সকলোৱে জানে। নিবিড়েও সেই কথা ভালদৰে বুজি পায়। তথাপিও ৰাতিৰ আন্ধাৰৰ পিছত যিদৰে পোহৰ নামি আহে ঠিক সেইদৰে দুখবোৰৰ পিছত সুখৰ দিন আহিব। সমস্যাবোৰৰ সমাধান হ'ব বুলি নিবিড়ে ভাবিছিল। জীৱনৰ সপোনবোৰ বাস্তৱত পৰিণত হ'ব। কিন্তু আশা আশা হৈয়ে ৰ'ল।

কণীয়া দেউতাক, কণমানি ভায়েক আৰু মাকৰ বাবেই সি জীয়াই আছে। নতুনকৈ সপোন দেখিবলৈ আৰম্ভ কৰিছিল। অভাৱ অনাটনৰ মাজতো খুব কষ্টেৰে নিবিড়ে স্নাতকৰ ডেওনা পাৰ কৰিলে। উচ্চ শিক্ষাৰ বাবে মন থাকিলেও ঘৰৰ আৰ্থিক অৱস্থা শোচনীয় বাবেই মনৰ হেঁপাহ, আশা মনতেই মাৰ গ'ল।

ঘৰৰ অৱস্থা দিনক দিনে বেয়াহৈ শোচনীয় হৈ আহিছে। চাকৰিৰ এটাৰ খুব প্ৰয়োজন হৈছে নিবিড়ৰ। কোম্পানীৰ দুৱাৰে দুৱাৰে ঘূৰাটো নিবিড়ৰ নিত্য নৈমিত্তিক কাম হৈ পৰিল। কোম্পানীৰ দুৱাৰে দুৱাৰে ঘূৰিলে, বহুতত প্ৰবেশ পৰীক্ষা, আবেদন আদি সকলো দিলে। কিন্তু সকলোৰে পৰা এটাই মাথোঁ উত্তৰ টকা লাগে। এহাতে টকা আনহাতে চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি। নিজাববীয়াকৈ কিবা ব্যৱসায় কৰিববলৈও সাঁচতীয়া ধনৰ নামত নিবিড়ৰ এটা টকাও নাছিল। জমাধন যি কেইটা টকা আছিল, সকলো ৰুগীয়া দেউতাকৰ চিকিৎসা কৰাওঁতে শেষ। এনেদৰেই জীৱনৰ আধা বয়স পাৰ কৰিলে নিবিড়ে। জীৱনৰ সৈতে কিমান সংগ্ৰাম কৰিব! ভাগৰি পৰিছে সি। স্নাতক ডিগ্ৰীলৈও অৱশেষত সি উপায়ন্তৰ হৈ এখন দোকানত ছেলছমেন হিচাপে সোমাই ল'লে। ছেলছমেনৰ চাকৰিটোৰ দৰমহা তেনেই নগণ্য। কোনোমতে ঘৰখনৰ মানুহ কেইটাৰ প্ৰাণ ৰক্ষা কৰিব পাৰিলেই হ'ল।

ঘৰুৱা অভাৱ অনাটনবোৰে নিবিড়ৰ মন আৰু মগজুত বাৰুকৈ প্ৰভাৱ পেলাইছে। লাহে লাহে নিবিড় খিংখিঙীয়া স্বভাৱৰ হৈ পৰিছে। দোকানত থকা সময়-খিনিৰ বাহিৰে অনবৰতে ৰাস্তাত ঘূৰি ফুৰে। মানুহে কোৱাই শুনিছে সি বোলে

মানসিকভাৱে বিকাৰগ্ৰস্থ হৈ পৰিছে। ৰংবিহীন জীৱনটোৰ সৈতে তাৰ জীয়াই থকাৰ কোনো ইচ্ছা নাই। নিবিড়ৰ সকলো সপোন ইতিমধ্যেই মাটিত মিহলি হৈ গৈছে। আলমাৰীৰ দুৱাৰখন সজোৰে খুলি তাৰ আঙুলীয়ে ড্ৰয়াৰটোৰ পৰা নিবিড়ে সযতনে সাঁচি ৰখা শৈক্ষিক জীৱনৰ চাৰ্টিফিকেট কেইখন উলিয়াই আনিলে। এবাৰ চকু ফুৰালে চাৰ্টিফিকেট বোৰৰ ওপৰত। দেউতাকে অতি কষ্টেৰে পঢ়াইছিল তাক। সিও দেউতাকৰ কষ্টৰ মূল্য ৰাখি ভালদৰে পঢ়িছিল। কিন্তু এই চাৰ্টিফিকেট আৰু শিক্ষাই কি দিলে তাক, মাথোঁ শূন্যতা। বৰ্তমান সকলোতে টকা লাগে, চাৰ্টিফিকেট নহয়। কেতিয়াবা নিবিড়ৰ দেউতাকৰ ওপৰতে খুব খং উঠে। হাড়ক মাটি কৰি, তেজক পানী কৰি ঘটা টকাখিনি দেউতাকে যদি আজি তাক পঢ়োৱাতকৈ সাঁচি ৰাখিলেহেঁতেন তেতিয়া সি হয়তো সেই টকা দি কোনো উচ্চপদস্থ চাকৰিত বহি থাকিলহেঁতেন। নিবিড়ে মাৰ্কচিট, চাৰ্টিফিকেট আটাইকেইখন ফালি দলিয়াই দিলে ডাষ্টবিনটোলৈ। অশ্ৰুৰ বন্যাৰে দুচকু সেমেকাই এটা সময়ত নিবিড় নিদ্ৰা আৰু অন্ধকাৰৰ মাজত বিলীন হৈ পৰিল।

শ্ৰীমতী ভিক্ত চাং মাই
তৃতীয় ষাণ্মাসিক।

# স্বপ্ন-বিষাদ ইত্যাদি

জ্বলি উঠো হিংসাত
 যেতিয়া তুমি জ্বলাই লোৱা
 এটি চিগাৰেট

চিগাৰেটৰ ধোঁৱাৰে যেতিয়া
 আমোল মোলাই তোমাৰ চৌপাশ
মই জ্বলি উঠো, জ্বলি উঠো মই
 হিংসাৰ দাবানলৰ জুইয়ে দহে মোক।
টিকটিকিয়া ৰঙাকৈ পিন্ধিত
 বেগটো লৈ
আকাশী নীলা পেন্টৰ ওপৰত
 বগা চার্টটো পিন্ধি
যেতিয়া তুমি কলেজলৈ আহা
 মোৰ হৃদয়ে ধানবানে
স্বাৰ্থপৰতাৰ জয়গানেৰে মই বৰ
 হিংসাকুৰীয়া।

এজাক বৰষুণত তিয়াবলৈ মন আছিল মোৰ এই স্বপ্নাতুৰ মনটোক; নিকা কৰি দিলেহেঁতেনবা মোৰ মনৰ সকলো বিষাদ। প্ৰেমৰ কথাটো আৰু আনক কʼব নোৱাৰিব। সেয়েহে হয়তো হীৰুদায়ো কৈছিল—

ভঙা কলিজাত কোনে বিনায়
কবিতা মোৰ দুখৰ স্মৃতিৰ
এপাহ মৰিকাজাঁই ॥

নগৰবোৰে কয় ইমান যন্ত্ৰণাৰ পাছ(ত)
কেনেদৰে হাঁহিব পাৰ? নিজকে সোধোঁ
কেতিয়াবা জীয়া জীয়া সপোনক মৃত্যুৰ দুৱাৰ-
ডলিত দেখিও মই কেনেদৰে সুখী। থাকক
দিয়া এনেদৰেই বৰ্তক জন্মলগ্নতে মৰিছি মোৰ
মোৰ প্ৰেমৰ বিষাদ মালিতা। মাত্ৰ তোমালো(কে)
এটাই অনুৰোধ কুশলে থাকা।

শ্ৰীমতী তনু দত্ত
প্ৰথম ষাণ্মাসিক।

— × — × — × —

## প্ৰথম অসমীয়া

★ স্নাতক: আনন্দৰাম বৰুৱা।
★ আই চি এছ: আনন্দৰাম বৰুৱা।
★ ৰাজ্যপাল: বিষ্ণুৰাম মেধি।
★ ৰাষ্ট্ৰপতি: ফকৰুদ্দিন আলি আহমেদ।
★ চলচ্চিত্ৰ নিৰ্মাতা: জ্যোতিপ্ৰসাদ আগৰৱালা
★ দাদাচাহেব ফাল্কে বঁটা লাভ কৰোঁতা: ভূপেন হাজৰিকা

তনুঃ সংগৃহিত

# নিৰৱধি

তুমি বৈ থাকা
নিৰৱে
তুমি বৈ থাকা
নিৰলে
তুমি বৈ থাকা
নিৰৱধি
মোৰ কলিজাৰ ভাঁজে ভাঁজে
মোৰ কলিজাৰ কোঁচে কোঁচে
তুমি নিৰৱে
নিৰলে বৈ থাকা ।

তোমাৰ গভীৰতাত বিচাৰি পাওঁ মই
কত যে উৎসাহ প্ৰেৰণা ।
কাৰণ, তুমি যে সীমাহীন উৎস
তুমি মোৰ হাঁহি আৰু চকুলোৰ
বান্ধৱ আৰু কল্পনা,
এটি অনন্ত কবিতা আৰু এক অবুজ যন্ত্ৰণা ।

শ্ৰীকমল কুলি
প্ৰথম ষান্মাসিক ।

# অনুভৱ

নিজকে চিনিলেই সকলোকে বুজিবা
দেখিবা প্ৰেম তোমাৰ হৃদয়ত,
এপাহি ৰঙা গোলাপ হৈ প্ৰস্ফুটিত হৈছে ।
ক্ৰমে তুমি পাহৰিবা স্বাৰ্থপৰ, হিংসা
কিম্বা নিৰ্দয়, নিষ্ঠুৰতাৰ দৰে শব্দবোৰৰ সংজ্ঞা
জগতেই হৈ পৰিব তোমাৰ ঘৰ,
আপোন হ'ব সকলো ।
বাঢ়ি অহা হত্যা, হিংসা নামৰ দানৱবোৰৰ বাবে
নহ'ব ক'তো ঠাই ।

শ্ৰীমতী মনালিছা গগৈ
প্ৰথম ষাণ্মাসিক ।

# ধেমাজি মহাবিদ্যালয় প্ৰণামো তোমাক

চলৰ বিয়লিতে যেনো জন্ম ধেমাজিৰ
আৰু ধেমাজিৰ বুকুতে জন্ম তোমাৰ
শৈশৱ, যৌৱন পাৰ হৈ তুমি এতিয়া প্ৰৌঢ়
হে মহান প্ৰণামো তোমাক।

তুমিয়ে নিস্বাৰ্থভাৱে শিকোৱা
সপোনক বাস্তৱ ৰূপ দিবলৈ,
শ্ৰম কৰিবলৈ
আৰু আকাশ চুই চোৱাৰ হেপাহ
বুকুত লৈ ফুৰিবলৈ।

তুমি সাগৰমুখী এখন নদীৰ দৰে
আগুৱাই যোৱাৰ প্ৰেৰণা যোগোৱা আমাক
হে মোৰ প্ৰাণৰো প্ৰাণৰ ধেমাজি মহাবিদ্যালয়,
হৃদয় উজাৰি প্ৰণামো তোমাক।

শ্ৰীকমল কুলি
প্ৰথম ষাণ্মাসিক।

# স্মৃতিৰ ডুগমৰীয়া ছবি

লিখো নিলিখোকৈ তোমালৈ বুলি লিখিলো
ভালে আছা নিশ্চয় আৰু ভালে থাকিবা
সময়বোৰ যে কি নিষ্ঠুৰ নহয়নে ?
যাক বেছিকৈ ভাল পোৱা যায় তাৰ প্ৰীতি থকা
ভালপোৱাবোৰ কেৱল স্মৃতি হৈ ৰৈ যায় ।
তোমাক বিচাৰিলো তুমিও আঁতৰি গ'লা
ৰৈ গ'ল মাথো তোমাৰ সিতে পাৰ কৰা
মধুৰ স্মৃতিবোৰ ......!
আঁতৰি গৈছা যোৱা তাত তোমাৰ প্ৰতি
মোৰ কোনো আক্ষেপ নাই, অভিমান নাই,
নাই মোৰ কোনো অভিশাপ,
আছে মাথো তোমালৈ সযতনে ৰখা
এবুকু মৰম ।



শ্ৰীমতী মালতী সোণোৱাল
পঞ্চম ষাণ্মাসিক ।

# ধনৰ মূল্য

মানুহে মানুহৰ মনকে নুবুজে
নুবুজে মৰম আৰু দয়া,
আমৰা চলিছে জীৱন আৰু সমাজত
ধনেৰ দৰ দাম কৰা।
মানুহৰ প্ৰতি মানুহৰ দয়া
একেবাৰে নোহোৱা হ'ল।
ধনৰ প্ৰকোপত মানুহে আজি
নিজকে পাহৰি গ'ল।
মানুহৰ হাতত সৃষ্টি আৰু ধ্বংস
জীৱন জানো ধনৰ তুল্য।
মানৱীয় প্ৰমূল্য গৈছে কমি
মাথোঁ বাঢ়ি গৈছে ধনৰ মূল্য।

শ্ৰী কিৰণ দেউৰী
প্ৰথম ষাণ্মাসিক।

# অসহায়

তুমি যে নাই আজি মোৰ কাষত
বাৰে বাৰে নিজক অসহায় যেন লাগিছে ।
কিয় যে গ'লাগৈ তুমি
ক'ত কি ভুল কৰিলো ?
আজিও পোৱা নাই ভাবি
সেই যে তুমি কৈছিলা
আগুৱাই যোৱা বুলি
গৈয়েইতো আছো মই ।
চোৱা নাই কোনোদিন ঘূৰি
কেৱল নিজকে নিছো আগুৱাই
আগুৱাই আগুৱাই আহি আজি
পালোহি লক্ষ্য ।
তথাপি আজি মই অসহায়
কাৰণ তুমি যে নাই ।
কিয় গ'লাগৈ তুমি
কিয় ?
এবাৰো কি নপৰে মনত
আছো মই বাট চাই
ভাবি থাকোঁ সদায় নিজানত
কাৰণ মই নিৰুপায়
অসহায় আজি মই
সঁচাই অসহায় ।

শ্ৰীমতী মিনাক্ষী দলে
পঞ্চম ষান্মাসিক ।

# ধেমাজি মহাবিদ্যালয়

হে ধেমাজি মহাবিদ্যালয়
তুমি মহান,
তোমাক আমি অন্তৰেৰে
কৰো সন্মান।
তোমাৰ জ্ঞানৰ জ্যোতিৰে
আমি জগতক পোহৰাম,
তোমাৰ বুকুত ছবি দি
আমি আগুৱাম।
তুমিয়েই দিলা আমাক
জ্ঞানৰ পোহৰ বিলাই
সন্তান আমি আগুৱাই যাম
স্মৃতিৰ সুবাস বিলাই।

শ্ৰীমতী মিতালী দেৱী
প্ৰথম ষাণ্মাসিক।

# অন্তৰাগ

নিষ্ঠুৰ সময় ক্ষণে ক্ষণে হয় সলনি
কিনো দিন কিনো ৰাতি
পলকতে মাথো মেলানি
অন্তেকীয়া সুখ, অন্তেকীয়া দুখ
নাই সামৰণি,
জীৱন মানেই যুঁজ, জীৱন মানেই যাত্ৰা
হৃদয়ত মাথো অফুৰন্ত আশাৰ দুলনী

নিশাৰ শেষত ফুলা ৰজনীগন্ধা
হৰিণীৰ নাভিৰ কস্তুৰী গন্ধা
বিচৰা নাই কাহানিও তোমাৰ সুমধুৰ সুবাস
তুমি হীনতাৰ অনুভৱো কৰা নাই,
নকৰো কাহানিও
নিজান গধূলিৰ ৰাতি নাযায় নুপুৰৰাই জানা
কেতেকীজনীয়েও ৰৰকৈ বিনায় ।

পছোৱাৰ ঢৌ.... ফাগুনৰ আৰম্ভণি
বিষন্ন মনত পোহৰৰ চিকমিকনি
খুলি ৰাখা ফাগুনী তোমাৰ মনৰ
ৰুদ্ধ দুৱাৰখনি
কিজানি হয়েই বা
এক নিৰ্মল যাত্ৰাৰ আৰম্ভণি... ।

শ্ৰীচিৰঞ্জীৱ গগৈ
পঞ্চম ষাণ্মাসিক ।

# ফকৰা-যোজনা

★ কানিঁয়ালে নেঘাৰি কানি দিব লাগিব
কাতি দিব লাগিব মাজি।
কানি তিতা মাৰোঁতে পিঠা দিব লাগিব
তাকো দিব লাগিব ভাজি।

★ গোচৰ বুলিলে চোচৰ
জ্ঞানীয়ে শিকে দেখি,
অজ্ঞানীয়ে শিকে ঠেকি।

★ চোৰে নেৰে চোৰৰ প্ৰকৃতি
কুকুৰে নেৰে ছাঁই
ঘাৰ যি প্ৰকৃতি আছে
মৰিলে লগত যায়।

★ পৰ্বতত কাছ কণী, ঢেঁয়ামত বান
বৰলাৰ ঘৰত বিচাৰিছে শুকান ধান।

★ বান্ধিলে মন শিলৰ গুটি
মেলিলে মন ধোঁৱাৰ ছুটি।

শ্ৰীমতী মিনাক্ষী দলে
পঞ্চম ষাণ্মাসিক।

# কুইজ

★ এছিয়ান গেমছত সোণৰ পদক বিজয়ী প্ৰথম অসমীয়া জনৰ নাম?

⇒ ভোগেশ্বৰ বৰুৱা।

★ ছেক্সপীয়েৰ কোনখন নাট অসমীয়ালৈ অনূদিত প্ৰথম নাট?

⇒ কমেডী অৱ এৰ্ৰচ।

★ অসমীয়া সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ বুৰঞ্জী কি?

⇒ অসম উপত্যকা বুৰঞ্জী।

★ ভাৰতীয় টেবুল টেনিচ দলক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ কোন?

⇒ নন্দিনী বৰুৱা।

★ 'অসম' শব্দটো সংস্কৃত অসমা শব্দৰ পৰা অনা হৈছে। ইয়াৰ অৰ্থ কি?

⇒ অতুলনীয়।

শ্ৰীমতী অৰুণিমা বুঢ়াগোহাঁই
পঞ্চম ষাণ্মাসিক।

# সাঁথৰ

★ এটা তিনিগতি এশ ধান কুটে,
নেগুৰত ধৰিলে জাপমাৰি উঠে
→ ঢেঁকী ।

★ ওপৰিজয়ে জপিয়ায় কোন?
→ আগ্নি ।

★ নমতাকৈ বিয়াঘৰৰ বগুতলি ছেৰিল,
বিয়াৰ পাছত কুঁনাজনী পানীত পৰিল
→ পূজাৰ প্ৰতিমা ।

★ কি চাইছ মোক, পিলি খম তোক,
চাবহি মোক নিবহি তোক
→ চেপা ।

★ তিনি আখৰে মোৰ নাম,
সকলোৱে খায়,
এটা আখৰ এৰি দিলে ফাটেকলৈ যায় ।
→ মচুৰ ।

শ্ৰীমতী ৰাণী দিহিঙীয়া
পঞ্চম ষান্মাসিক ।

# অমৃত বাণী

☆ প্ৰতিদিনাই হাজাৰ হাজাৰ ল'ৰা - ছোৱালীয়ে স্কুলত পঢ়িবলৈ আহে। তেওঁলোকে কেৱল শিকিবলৈ নাহে, তেওঁলোক কেৱল এটা বিষয়ত দক্ষতা অৰ্জন কৰিবলৈ নাহে, তেওঁলোক স্কুললৈ আহে তেওঁলোকৰ জীৱনৰ আন্ধাৰ দূৰ কৰিব পৰা কিবা এটা পোহৰ বিচাৰি।

⟶ বিজম বিল্লিজ।

☆ জ্ঞানেই হৈল প্ৰকৃত সূৰ্য্য, জীৱন আৰু শক্তিৰ ৰশ্মি ইয়াৰ পৰা উৎসাৰিত হয়।

⟶ ডেনিবেল বেবেষ্টাৰ।

☆ ইচ্ছাশক্তি য'ত প্ৰৱল ত'ত জটিলতাই কোনো ধৰণৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে।

⟶ মেকিয়াভেলি।

সংগ্ৰাহক - শ্ৰীকিৰণ দেউৰী
প্ৰথম ষান্মাসিক।

# হাঁহিৰ মূল্য

* ইয়াত কোনো খৰচ নাই; কিন্তু ই সৃষ্টি কৰে বহু মূল্যৱান কিবাকিবি।

* ইয়াক গ্ৰহণ কৰোঁতাৰ প্ৰচুৰ লাভ, কিন্তু দিওঁতাৰ বিন্দুমাত্ৰও লোকচান নহয়।

* ই চকুৰ পচাৰতে ঘটি যায়, কিন্তু তাৰ স্মৃতি ৰৈ যায় বহুদিনলৈ।

* ধনীয়েই হওঁক বা দুখীয়াই হওঁক হাঁহি সকলোৰে বাবে প্ৰয়োজনীয়। কোনেও ইয়াক বাদ দি থাকিব নোৱাৰে।

* ই মানুহৰ সংসাৰলৈ সুখ কঢ়িয়াই আনে, ব্যৱসায়লৈ আনে সুনাম আৰু ই বন্ধুত্বৰ চিন।

* ক্লান্ত মানুহৰ বাবে হাঁহি হ'ল বিশ্ৰাম, হতাশাগ্ৰস্তৰ বাবে আশাৰ জেয্যাতি, দুখী তাপীৰ বাবে সূৰ্যৰ কিৰণ আৰু সকলোৰে শাৰীৰিক তথা মানসিক কষ্ট দূৰ কৰাৰ মহৌষধ।

* ই যিমান সহজলভ্য, সিমান মূল্যৱান। তাক ধন-সোণেৰে কিনিব নোৱাৰি, ইচ্ছা কৰিও আনিব নোৱাৰি, ধাৰ বা চুৰি কৰিবও নোৱাৰি।

শ্ৰীমতী মালতী সোণোৱাল
পঞ্চম ষাণ্মাসিক।

# লিমাৰিক

১/ বাই ভনী দুয়োজনীয়েই সাংঘাতিক
কবিতা লিখে নিতৌ ৰোমান্টিক।
দেউতাকে মাৰে নিতৌ বান্দা
পুতেকৰ আকৌ মটৰ চাইকেল কিনাৰ ধান্দা
ঘৈনীয়েকে ওঁঠ পাত কৰে লাগে লিপষ্টিক।

২/ আলু পিঁয়াজৰ ঘিছে দাম,
কিনি বাৰু কেনেকৈ খাম।
মগজু হয় নষ্ট,
যেতি কৰিলেও কষ্ট।
খাবলৈ নাপালে দেখোন কাই-ক্ষীণাই যাম।

শ্ৰীজয়ন্ত নেওগ
প্ৰাক্তন ছাত্ৰ
(সংগ্ৰহিত)

# অসম সম্পৰ্কীয় কেইটামান ৱেবছাইট

• শিক্ষা :-

★ আছাম একাডেমী অব মেথেমেটিক্স : www.aam.org.in

★ আছাম এডমিনিষ্ট্ৰেটিভ ষ্টাফ কলেজ : www.aasc.gov.in

★ অসম কৃষি বিশ্ববিদ্যালয় : www.aau.ac.in

★ অসম ডাউন টাউন বিশ্ববিদ্যালয় : www.adtu.in

★ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় : www.aec.ac.in

★ অসম চিকিৎসা মহাবিদ্যালয় : www.assamedicalcollege.net

★ অসম বিশ্ববিদ্যালয় : www.assamuniversity.nic.in

★ অসম সৰ্বশিক্ষা অভিযান মিছন : www.ssaassam.gov.in

★ কটন কলেজ : www.cottencollege.org.in

★ অসম মাধ্যমিক শিক্ষা পৰিষদ (SEBA) : www.seba-net.in

• সংস্কৃতি - মনোৰঞ্জন :-

★ সাহিত্য : www.xahilya.org

★ শ্ৰীমন্ত শংকৰদেৱ : www.srimanta.net

★ অসমীয়া খাদ্যৰ জুতি : www.chebatullahkar.com


★ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ : www.kalakshetra-assam.gov.in

★ শ্ৰীশ্ৰী আউনীআটী সত্ৰ : www.auniati.org

★ চিবসাগৰৰ অসমীয়া গীত : www.onlinesivasagar.com

সংগ্ৰাহক
শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱাল।
পঞ্চম ষাণ্মাসিক।

# ৰস-ৰচনা



# ওকণিৰ আত্মকথা

নমস্কাৰ প্ৰিয় পাঠকসকল। জ্ঞানী লোকে কৈ গৈছে আত্মজীৱনী লিখাটো এটা ভাল অভ্যাস। সেয়েহে জ্ঞানীলোকৰ কথাকে সবোগত কৰি ময়ো আত্মজীৱনী লিখিমবুলি লৈছোঁ। আত্মজীৱনীত কেৱল আত্মবোধেই প্ৰাধান্যতা পায়, আত্মজীৱনীখনত প্ৰাণ পাই উঠে প্ৰচলিত সমাজ ব্যৱস্থা। তদুপৰি মহৎ লোকৰ আত্মজীৱনী নৱ-প্ৰজন্মৰ পথ প্ৰদৰ্শক। তাকে ভাবি গুণি ময়ো আত্মজীৱনী লিখিমবুলি লৈছোঁ। সমাজৰ পৰা ইমান ভাল ভাল গুণী জ্ঞানী ব্যক্তিসকলে মৃত্যুবৰণ কৰিছে, মোৰো কোনো গাটো একেবাৰে ভাল লাগি থকা নাই সেয়েহে সময় সুবিধা পাওতেই নিজৰ বিষয়ে কৈ লৈছোঁ আৰু কলিকৈ দেমাগি মোৰ লাহি পাহি। মানুহৰ আটাইতকৈ ওপৰৰ অংশ মূৰৰ চুলিতেই মোৰ বসতি। মানুহৰ মূৰত যে এমন কলা অভয়াৰণ্য আছে তাতেই মোৰ ঘৰখন। অৱশ্যে সকলো অভয়াৰণ্য ক'লা নহয় পিছে। মানুহভেদে, দেশভেদে মোৰ বসতি স্থানৰ ৰং-ৰূপ বেলেগ হয়। মানুহবোৰৰ মোৰ প্ৰতি অকণো মৰম চেনেহ নাই, অনবৰতে কেৱল মাৰো মাৰোকেই থাকে। অৱশ্যে মাহীদেউ, পেহীদেউ, বাইদেউহঁতে ধুনীয়া ধুনীয়া গোন্ধৰ চেম্পুৰে মোক আৰতিও কৰে। আকৌ মোক মাৰিবলৈ

ঔষধো ব্যৱহাৰ কৰে জানেনে? মোৰ জানো জীয়াই থকাৰ অধিকাৰ নাই কওঁ কচোন? সেই কাৰণে মানুহ জাতিটোক মই চকু পাতি দেখিব নোৱাৰোঁ। সেয়েহে সুবিধা পালেই কামুৰি জীয়াই থকাৰ অশান্তি কৰিব দিগদাৰি দি থাকোঁ। সুবিধা পালেই প্ৰতিডাল ফুলিতেই কলী পাতি ফুল বাঢ়ি উঠি দিও বাপেকে মাঃমাঃ..... মোক বহিষ্কাৰ কৰিব বলে বাইদেউ, পেহীদেউ-হঁতৰ কিয়ে মেল। পিৰালিত, চোতালত বহি ঘৰৰ পৰা বাংলাদেশীক বহিষ্কাৰ কৰিব বলে দিবচাৰি থাকিব একেবাৰে। মোক বিচৰাৰ চলেৰে ইঘৰ-সিঘৰৰ কথা পাতি জঞ্জাল সৃষ্টি কৰে। কিনো ক'ম মোৰ দুখৰ কথা। মোক শান্তিৰে জীয়াই থাকিবলৈ আপোনালোকৰ ঘৰত অকণমান ঠাই দিব নোৱাৰেনে? এইটো মোৰ অনুৰোধ আপোনালোকলৈ অ' আপোনালোকক মোৰ এটা গুণৰ বতৰা দিবলৈ পাহৰিয়েই আছিলো পাই। মই অবৈধ বাংলাদেশীয়ে প্ৰবেশ কৰাদি এজনৰ ঘৰৰ পৰা আনজনৰ ঘৰলৈ চকুৰ পচাৰতে প্ৰবেশ কৰিব পাৰোঁ। ইমান পৰে মই নিজে নিজে জয়ঢোল কোবাই আছোঁ। আজিলৈ আমৰো। সময় তেনেই তাকৰ। অবাবত সময় নষ্ট কৰাতো মূৰ্খৰহে কাম। শেষত ন-পাহৰে, মাহীদেউ, পেহীদেউহঁতক মোক অলপ থকাৰ ঠাই দিবলৈ

কাতৰ অনুৰোধ জনাইছো। লগতে আপোনালোকে বিউটি পাৰ্লাৰত গৈ চুলি ষ্ট্ৰেইট কৰি সেই গৰম সেইডাল লগাই লগাই মোক নামাৰিব। মই এবাৰেই গৰম সহ্য কৰিব নোৱাৰো। অ' মাই গড। ভাবিলেই ভয় লাগে।

শ্ৰীমদন গগৈ
প্ৰাক্তন ছাত্ৰ।

—— x —— x —— x —— x ——

## কেইখনমান উল্লেখযোগ্য গ্ৰন্থ আৰু গ্ৰন্থকাৰ

অগ্নিৰ ডেউকা : সুৰেশ শৰ্মা (অনুদিত)
মেঘৰী আত্মাৰ কাহিনী : চৈয়দ আব্দুল মালিক।
অলকানন্দা : নলিনীবালা দেৱী।
অসমৰ সংস্কৃতি : লীলা গগৈ।
অসমৰ লোক-সংস্কৃতি : বিৰিঞ্চি কুমাৰ বৰুৱা।
অসমীয়া সাহিত্যৰ ৰূপৰেখা : মহেশ্বৰ নেওগ।
আধালেখা দস্তাবেজ : মামণি ৰয়ছম গোস্বামী।
আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত : গুণাভিৰাম বৰুৱা।

সংগৃহিত

# ফেচবুক আৰু নতুন প্ৰজন্ম

সৰ্বপ্ৰথমে সকলোলৈকে মোৰ নমস্কাৰ। মোৰ নাম ফেচবুক। নামটো সকলোৰে চিনাকি নিশ্চয়। এটা কোম্পানী, এটা যোগাযোগ ব্যৱস্থা আৰু ইণ্টাৰনেট বোলা অদৃশ্য বিশাল পৃথিৱীখনত আপোনালোক সকলোৰে সৈতে সম্পৰ্ক ৰক্ষা কৰিব পৰা এক ব্যৱস্থা বুলিও ক'ব পাৰি। মোক মাৰ্ক জুকাৰবাৰ্গ নামৰ লোকজনে তেওঁৰ বন্ধুৰে মিলি আৰম্ভ কৰিছিল। মোৰ ৰঙ নীলা আৰু ৰংটো মোৰাৰ মূলতে হ'ল জুকাৰবাৰ্গ এজন বৰ্ণান্ধ বা কালাৰ ব্লাইণ্ড। মোৰ কিছুমান ভাল দিশ আৰু কিছুমান বেয়া দিশো আছে। আচলতে মোক ভালকৈ Use কৰিব পাৰিলে মই বহুত কামতে সহায় কৰো তেনেদৰে মোক কিছুমানে ব্যৱহাৰো কৰে। যেনে - কিছুমান News, Notes আদিবোৰ Upload কৰি সকলোকে জনোৱাটো। এনেদৰে মোক আকৌ কিছুমান timepass কাম, যেনে আপোনালোক সকলোৱে Photo মাৰি Upload কৰে আৰু তেনেদৰে সেই Photo ত বহুতে like আৰু Comment দিয়ে, বিভিন্ন খবৰ নে। এইবোৰ চাই বহুত আনন্দ পায় আৰু এটা কথা বন্ধু-বান্ধৱীৰ লগত দুজনে নিজনৰ লগত প্ৰতিযোগিতা কৰি কয় যে মোৰ Photo ত তোমাতকৈ বেছি Like আহিল বুলি।

আৰু এটা বহুত দুখৰ কথা মোৰ কি কম আপোনালোকে মোক ইমানেই ৰাতিয়ে দিনে ব্যৱহাৰ কৰে যে মই বহুত ভাগৰি যাওঁ। কিন্তু কি কৰিম মোক তেনেকে ব্যৱহাৰ কৰিবলৈকে তো আৰম্ভ কৰিছিল মাৰ্ক জুগাৰবাৰ্গে। যাতে বহুত দূৰ দূৰণিৰ বন্ধু-বান্ধৱীৰ লগত মোৰ জৰিয়তে সম্পৰ্ক ৰাখিব পাৰিব!

আজি কালি ল'ৰা-ছোৱালীবোৰৰ Photo মৰা যিহে Style, কি যে কম আৰু সেইটো কথা! কি যে সুন্দৰ Expression, আই! কি যে হ'ব, এজনীয়ে ওঁঠটো জোঙা কৰে, আকৌ জিভা উলিয়াই ওহ! মোৰ দিনটো বহুত কষ্ট হৈ যায়গৈ। কিমান যে Photo এদিনত Upload কৰে মোৰ চাই চাই আমনি লাগে ক'লেও বেয়া পায় নহয়। মোৰ জৰিয়তে ইজনে সিজনৰ খবৰ ল'ব পাৰে message কৰি। আচলতে সেইটো বেয়া নহয় কিন্তু মানে আকৌ চিনাকি হ'বলৈ মোৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰে। বিশেষকৈ তেনেকুৱা message ছোৱালীলৈ বেছি যায়।

আৰু এটা বহুত importent কথা। মোক ইমান use কৰাও ভাল নহয়। কাৰণ ৰাতি দেখিলেকে বা দিনত বেছিকৈ মোক use কৰিলে চকু বেয়া হ'ব পাৰে mobile টো চাই চাই। আকৌ ৰাতি দেখিলেকে থাকিলে শৰীৰৰে বিসংগতি হ'ব।

মোৰ কথা শুনি হয়তো আপোনা-লোকে হঃ বা মোক ইমান এফিতাহি বুলিও ভাবিব পাৰে। অৱশ্যে মই এফিতাহি হবা নাই বুলিও ক'ব নোৱাৰিব বাৰু? যদিও ক'ৰবাত বেছিকৈ কৈ এদিলো স্কুলতে, তাৰ কাৰণে খুব ৰাজীতে কৈছো So sorry আৰু মোক বেছি ভাল পোৱা সকলে মই তেওঁলোকৰ কাণ্ড বোৰ তেনেকৈ কোৱা কাৰণে বেয়া নাপাব আকৌ দেই। আজিৰলৈ সামৰো। by by

শ্ৰীমতী গায়ত্ৰী ফুকন
তৃতীয় ষাণ্মাসিক।



# ২০১৭-১৮ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী (স্থান প্ৰাপ্ত) ত উত্তীৰ্ণ হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল



হেমপ্ৰভা কলিতা
পদাৰ্থ বিজ্ঞান বিভাগ (২)


লিয়েঙ্গা গগৈ
পদাৰ্থ বিজ্ঞান বিভাগ (৪)



জয়ন্ত সোনোৱাল
পদাৰ্থ বিজ্ঞান বিভাগ (৫)


কাব্যশ্ৰী বৰগোহাঁই
ৰাজনীতি বিজ্ঞান বিভাগ (৬)


নম্ৰতা দত্ত
পদাৰ্থ বিজ্ঞান বিভাগ (১২)


সমীৰ বৰগোহাঁই
দৰ্শন বিভাগ (১৫)


দ্বীপশিখা হাজৰিকা
সমাজতত্ত্ব বিভাগ (১৫)


প্লিজেন্ট সোনোৱাল
ৰাজনীতি বিজ্ঞান বিভাগ (২৭)


চুমী নেওগ
দৰ্শন বিভাগ (৩৩)


পৰিস্মিতা বুঢ়াগোহাঁই
অসমীয়া বিভাগ (৩৫)


মাধুৰিমা কোঁচ
সমাজতত্ত্ব বিভাগ (৫৮)


তিলোত্তমা পেগু
সমাজতত্ত্ব বিভাগ (৬১)


মদন গাম
দৰ্শন বিভাগ (৭৫)


মৌচুমী টাও
দৰ্শন বিভাগ (৭৫)


পৰিস্মা চুতীয়া
অৰ্থনীতি বিভাগ (৭৯)


মানসজ্যোতি বৰুৱা
পদাৰ্থ বিজ্ঞান বিভাগ (৮৩)


চন্দিতা গগৈ
প্ৰাণী বিজ্ঞান বিভাগ (৮৩)


ৰূপজ্যোতি লাহন
অৰ্থনীতি বিভাগ (৮৬)


পল্লৱী ফুকন
অৰ্থনীতি বিভাগ (৮৮)


পল্লৱজ্যোতি টাইদ
সমাজতত্ত্ব বিভাগ (৯১)


পৰিস্মিতা তামুলী
সমাজতত্ত্ব বিভাগ (৯২)


মানসজ্যোতি ফুকন
ৰাজনীতি বিজ্ঞান বিভাগ (৯২)


পল্লৱী গগৈ
অসমীয়া বিভাগ (৯৪)


চিৰঞ্জীৱ বৰুৱা
ৰসায়ন বিভাগ (৯৭)


বিষ্ণুপ্ৰিয়া চাংমাই
প্ৰাণী বিজ্ঞান বিভাগ (১০২)


পল্লৱী কাৰ্দং
প্ৰাণী বিজ্ঞান বিভাগ (১১৩)


মৌচুমী গগৈ
উদ্ভিদ বিজ্ঞান বিভাগ (১১৯)


ৰাজৰ্ষি ভট্টাচাৰ্য
সমাজতত্ত্ব বিভাগ (১২০)


অৰ্চনা কোঁৱৰ
সমাজতত্ত্ব বিভাগ (১২৩)

# ২০১৭-১৮ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী (স্থান প্ৰাপ্ত) ত উত্তীৰ্ণ হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল


বিতোপন পেগু
বুৰঞ্জী বিভাগ (১২৩)


প্ৰিয়ংকা পেগু
বুৰঞ্জী বিভাগ (১২৩)


ৰীতাশ্ৰী গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ (১২৫)


গৌতম চুতীয়া
সমাজতত্ব বিভাগ (১২৭)


বিকাশ বুঢ়াগোহাঁই
প্ৰাণী বিজ্ঞান বিভাগ (১৩০)


জোন কলিতা
উদ্ভিদ বিজ্ঞান বিভাগ (১৩৩)


কুলেশ দাও
ৰাজনীতি বিজ্ঞান বিভাগ (১৩৫)


এস্থাৰাণী লাগাচু
ৰাজনীতি বিজ্ঞান বিভাগ (১৩৭)


নিতুমণি পাতিৰ
প্ৰাণী বিজ্ঞান বিভাগ (১৪২)


অভিজিত বৰা
উদ্ভিদ বিজ্ঞান বিভাগ (১৪৩)


প্ৰিয়ংকা কোঁচ দত্ত
শিক্ষাতত্ত্ব বিভাগ (১৪৩)


মৃণালী কুলি
সমাজতত্ব বিভাগ (১৪৩)


এলফন কিস্কো
উদ্ভিদ বিজ্ঞান বিভাগ (১৫১)


নীলাক্ষী চাংমাই
শিক্ষাতত্ত্ব বিভাগ (১৫২)



দীনেশ বৰা
শিক্ষাতত্ত্ব বিভাগ (১৫৩)


অভিজিত বৰগোহাঁই
ৰসায়ন বিভাগ (১৫৬)


ৰাজু কোঁচ
উদ্ভিদ বিজ্ঞান বিভাগ (১৬১)


সুস্মিতা কোঁচ
প্ৰাণী বিজ্ঞান বিভাগ (১৬৩)


মনালিছা চুতীয়া
প্ৰাণী বিজ্ঞান বিভাগ (১৬৮)


পৰাগজ্যোতি গোহাঁই
ৰসায়ন বিভাগ (১৭৫)



প্ৰিয়ংকা দত্ত
শিক্ষাতত্ত্ব বিভাগ (১৭৯)



ৰাজৰঞ্জন শইকীয়া
উদ্ভিদ বিজ্ঞান বিভাগ (১৯৩)


নিতুমণি দলে
প্ৰাণী বিজ্ঞান বিভাগ (২০১)


মাধুৰ্য্য গোহাঁই
প্ৰাণী বিজ্ঞান বিভাগ (২০৩)



অনুৰাধা চকুচা দেউৰী
প্ৰাণী বিজ্ঞান বিভাগ (২০৬)


দেৱজিৎ টাইদ
ৰসায়ন বিভাগ (২৩৪)


জয়ন্ত হাজৰিকা
প্ৰাণী বিজ্ঞান বিভাগ (২৪৩)


মানবজ্যোতি দত্ত
প্ৰাণী বিজ্ঞান বিভাগ (২৫১)


চন্দন সোনোৱাল
প্ৰাণী বিজ্ঞান বিভাগ (১২৭৬)



"২০১৭ বৰ্ষৰ শিক্ষক দিৱসৰ এটি মুহূৰ্ত"



"প্ৰাচীৰ পত্ৰিকা 'উন্মেষ' উন্মোচনৰ এটি মুহূৰ্ত"



"ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষকবৃন্দৰ লগতে পঞ্চম ষান্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী"



"প্ৰথম ষান্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী"